চান্দমামা

মে' ১৯৯২

© 1991 CASIO

এটি কেছিঅ' কীবোৰ্ড থাকিলে আহে ছন্দৰ উত্তাল তৰঙ্গ। কিয়নো আপোনাৰ মনে বিচৰা সকলোবোৰ সঙ্গীতৰ আনন্দ আপুনি উপভোগ কৰিব পাৰে। বচ, আৰম্ভ কৰক। সঙ্গীতৰ তালে তালে গাই যাওক আপোনাৰ প্ৰিয় গীতসমূহ। দশোদিশ মুখৰিত কৰি তোলক ছন্দোময় গতিৰে।



CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377546

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

M-9111 RAPCI AS

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.

LION *Gee-flo*® BALLPENS
035 carbine **050 carborite**

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992
OFFICIAL LICENSEE OF THE WORLD CUP

National-766

YOU KNOW HOW THESE GROWN-UPS KEEP TELLING US "DON'T DO THIS" AND "DON'T DO THAT"?
SO HERE'S SOMETHING GROWN-UPS ARE NOT ALLOWED TO DO (HA! HA! HA!)
THEY'RE NOT ALLOWED TO EAT THIS YUMMY NEW JAM FROM VOLFARM
BECAUSE (MMM!) IT'S FAR TOO GOOD FOR THEM
STRICTLY FOR KIDS ONLY!
New Volfarm Jam is made just for kids.
So, naturally, it's made just the way kids like it.
With the yummiest, juiciest fruits. (Slurp, slurp!)
Tell all those adults to keep their hands off it!
NOW
Volfarm
Volfarm
MIXED FRUIT JAM
Volfarm
PINEAPPLE JAM
JAMS
MIXED FRUIT
PINEAPPLE
Ogilvy & Mather 9661

লʼৰালিৰ
ৰং
ধেমালি
মজাই মজা
স্কুলত যে স্ফুর্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেন্ট্চ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান!
চোৱানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে
গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেন্ট্চ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি!
বিনামূল্যে
পেইণ্ট-এ-পষ্টাৰ
17437,
নতুন
ফেভিক্ৰীল®
ষ্টুডেন্ট্চ
পষ্টাৰ কালাৰ্চ
STUDENTS' POSTER COLOURS
Fevicryl
নাম :
বয়স :
ঠিকনা :
স্কুল :
CDM
everest/91/PIL/117 as

চান্দমামা

মে' ১৯৯২

এই সংখ্যাত আছে

অন্ত্য কমনওৱেলথ : ৯

প্ৰকৃত মাতৃ : ১১

খৰখেদাৰ খৰবাগৰ : ১৬

অপূৰ্ব-কাহিনী : ১৭

অপৰাধ আৰু অপৰাধী : ২৫

দুদিনীয়া-চিৰদিনীয়া : ২৯

চান্দমামা-ক্ৰোড়পত্ৰ : ৩৩

গুনাৰ লাভ : ৩৭

কথা-বেচা-দোকান : ৪০

ভগৱান আৰু ভূত : ৪৩

বীৰ হনুমান : ৪৫

নিৰিখ : ৫৩

বন্ধু যেয়ে বন্ধুৱা : ৫৬

তিতাওয়েই মিঠা : ৫৯

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য : ৬৩

চান্দমামা

সংস্থাপক : চক্রপাণি — সঞ্চালক : বি নাগিৰেড্ডি

এনেহেন সুন্দৰী ধৰণীৰ বুকুত…

আমি পৃথিৱী নামৰ এই সৌন্দৰ্য্যময় গ্ৰহৰ প্ৰাণীসকলে বিশেষকৈ মস্তিষ্কৰ তথা মগজৰ ব্যৱহাৰ জনা, অনুভূতি তথা উপলব্ধিৰ বোধ-বুদ্ধি থকা 'মানুহ' নামৰ প্ৰাণীকুলে এতিয়া আগতকৈও অৰ্থাৎ আমাৰ সেই আদিম যুগত ভবাতকৈও অধিক ভাবে পৃথিৱীখনৰ সম্পৰ্কে ভবা উচিত—পৃথিৱীখনক কেনেকৈ অধিকতকৈও অধিক সুন্দৰ-সুমহান কৰি তুলিব পাৰি।

যিকোনো মানুহেই ভবা আৱশ্যক—এইখন পৃথিৱীক কেনেকৈ অধিক সুন্দৰ কৰি তুলিব পাৰি। পৃথিৱীখন কেৱল মাটি আৰু পানীৰেই গঠিত নহয়, কিমান যে পাহাৰ পৰ্বত, নৈ-সাগৰ, গছ-বিৰিখৰ সমাহাৰ! পৃথিৱীখন নানান গছ-গছনি প্ৰাণীকুল—পশু-পক্ষী আনকি সহস্ৰ কোটি কীট-পতংগেৰেও পৰিপূৰ্ণ। মানুহ নামৰ প্ৰাণী তো আছেঁাৱেই।

আমি, মানুহ নামৰ প্ৰাণীকুল পৃথিৱীৰ অন্য অন্য প্ৰাণীৰ তুলনাত বিশেষ আৰু বিশিষ্ট। মানুহ নামৰ প্ৰাণীয়ে চিন্তা কৰিব পাৰে, ভাল-বেয়াৰ বাছ-বিচাৰ কৰিব পাৰে, নিজৰ আৰু আনৰো সুখ-দুখৰ কথা ভাবিব-চিন্তিব পাৰে। মানুহৰ মনৰ কেন্দ্ৰস্থলত থকা চিন্তাশক্তিয়ে—কবি জন মিল্টনৰ মতে : এই পৃথিৱীতে নৰকৰ স্বৰ্গ আৰু স্বৰ্গৰ নৰকো সৃষ্টি কৰিব পাৰে।

গতিকে—পৃথিৱীখনৰ সৌন্দৰ্য্য নষ্ট কৰাৰ, তথা এই সৌন্দৰ্য্যক অধিক সমুজ্জ্বল কৰি তোলাৰ শক্তিও মানুহ নামৰ প্ৰাণীত বিদ্যমান বুলি নিৰ্দ্বিধাই ক'ব পাৰি। মানুহে মন কৰিলেই পৃথিৱীখনক সমগ্ৰ প্ৰাণীকুল-বৃক্ষকুলৰ বাবেও অধিকতৰ সহনীয়-মহনীয় কৰি তুলিব পাৰে। পৃথিৱীখনৰ অন্যান্য প্ৰাণী-কুলকো, আনকি বৃক্ষকুলকো স্বাচ্ছন্দ্য স্বস্তি সৌন্দৰ্য্যমণ্ডিত কৰি তুলিব পাৰে।

স্ৰষ্টাই আমাক বিভিন্ন ধৰণে সুখী-সুন্দৰ হোৱাৰ উপায় দিছে। আমি কেনেকৈ সেইবোৰ উপায় প্ৰয়োগ কৰিম, আমিহে তাৰ নিয়ন্তা।

বছৰ : ১৭ — মে' ১৯৯২ — সংখ্যা : ২

খনে : ৪'০০ টকা :: বছৰেকীয়া বৰঙণি ৪৮'০০ টকা

"मेरि" गोल्ड कवारिगं गाहने अपनी क्षेष्ठता, अनुपम 'लाजवाब' मनमोहक डिसैनों से दुनियां की सारी स्त्रियों के दिलों में शाक्षत जगह पाये हैं। आपको कैसा नम्बर ,चाहिये यह हमें लिखकर बताइये। वि.पि.पि. द्वारा भेजा जायेगा। मुफ्त केटलाग के लिये आज ही हमें लिखिये, बरदनाटियम सेटस भी मिलेगा।

MERI GOLD COVERING WORKS

P.O.BOX 1405, 14, RANGANATHAN STREET
T.NAGAR, MADRAS - 600 017, PHONE: 444671

পৃথিৱীৰ খিৰিকীৰে



অন্য কমনওৱেলথ

গ'ল চনৰ ডিচেম্বৰ মাহৰ তৃতীয় সপ্তাহত বাতৰি-কাকতত ছোভিয়েত ইউনিয়ন খণ্ড-বিখণ্ড হোৱাৰ, কমিউনিজমৰ সাৰ্বিক পতন হোৱাৰ বাতৰি আপোনালোকে পঢ়িলেই। আৰু লগতে 'ছি আই এছ' বা 'কমনওৱেলথ অভ্ ইন্ডিপেনডেন্ট ষ্টেটছ'ৰ বাতৰিও নিশ্চয় ইতিমধ্যে পালে।

আমাৰ ওচৰত 'কমনওৱেলথ' শব্দটো এসময়ত আছিল বৃটিছ শাসনমুক্ত দেশসমূহৰ গোষ্ঠীবদ্ধতাৰ প্ৰতীক। এই অৰ্থত ভাৰতবৰ্ষও আছিল এখন কমনওৱেলথ ভুক্ত দেশ। একেদৰেই পাকিস্তান শ্ৰীলংকা ছিংগাপুৰ অষ্ট্ৰেলিয়া কেনাডা আদি কৰি চলিছখন গোষ্ঠীবদ্ধ দেশক কমনওৱেলথভুক্ত দেশ বুলি কোৱা হৈছিল, স্বীকৃতও হৈছিল।

কিন্তু এতিয়া আৰু 'কমনওৱেলথ' বুলিলে কেৱল বৃটিছ-শাসন-মুক্ত দেশৰ কথাকে নুবুজায়। ছোভিয়েত ৰুছ্-অত থকা বাৰখন স্বতন্ত্ৰতাপ্ৰাপ্ত দেশেও এখন নতুন কমনওৱেলথ গঢ়িলে।

১৯২৭ চনৰ অকট'বাৰ মাহত লেনিন আৰু ট্ৰটস্কিৰ নেতৃত্বত ৰুছদেশত ৎজাৰ-শাসনৰ অন্ত পেলাই 'ইউ এছ এছ আৰ, বা ইউনিয়ন অভ্ ছোভিয়েত

ছোছিয়েলিস্ট ৰিপাব্লিকৰ' সৃষ্টি কৰা হৈছিল। এই বৈপ্লৱিক কাৰ্য্যৰ যোগেদি পৃথিৱীত সৰ্বপ্ৰথম কমিউনিষ্ট শাসন প্ৰৱৰ্তিত হৈছিল, শ্ৰমিকশ্ৰেণীয়ে ক্ষমতা অধিকাৰ কৰিছিল।

যোৱা বছৰ — যেতিয়া তিনিখন বাল্টিক ৰিপাবলিক--এস্তেনিয়া, লাটাভিয়া আৰু লিথুয়ানিয়াই—ছোভিয়েত ইউ-নিয়নৰপৰা বিচ্ছিন্ন হৈ পূৰ্ণ স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল—তেতিয়া, এই বিচ্ছিন্নতাৰ তথা পূৰ্ণ স্বাধীনতাৰ এই কথাত কিছু হৈ-হুলস্থুল হৈছিল। তেতিয়াৰ ছোভিয়েত-প্ৰেজিডেণ্ট গৰবাচফে যি প্ৰস্তাৱ দিছিল এই বিষয়ে সেই প্ৰস্তাৱ গ্ৰহণযোগ্য হোৱা নাছিল এই নতুন স্বাধীনতাকামী দেশসমূহৰ পক্ষে।

*

তাৰ পৰৱৰ্তী ঘটনাসমূহৰ চাকনৈয়াত পৰি গৰবাচফে ইস্তাফা দিলে অৰ্থাৎ কমৰেড গৰবাচফে পদত্যাগ কৰিলে, আৰু 'ৰুশ্ব্ ফেডাৰেশ্যন'ৰ অধ্যক্ষ বোৰিছ এলছিনলৈ ক্ষমতা হস্তান্তৰ কৰিলে।

ডিছেম্বৰৰ ৭ তাৰিখে গৰবাচেফ-দ্বাৰা সমৰ্থিত 'কনফেডাৰেশ্যন'ৰ বিৰুদ্ধে বোৰিছ এলছিনে 'কম্যুনিটি'ৰ প্ৰস্তাৱ উত্থাপন কৰিলে।

আৰু অৱশেষত সকলো ৰিপাবলিকক স্বাধীনতা প্ৰদানকাৰী এখন সম্পূৰ্ণ নতুন 'কমনওৱেলথ' পতাৰ দিহা ল'লে।

*

যি কি নহওক, এই নতুন কমন-ওৱেলৰ 'ভৱিষ্যৎ' কি, বা কিমান দিনলৈ —সেই কথা এতিয়াই ন-দি কোৱা টান। কিয়নো — এনে কিছুমান গুৰুতৰ সমস্যা আছে—যিবোৰ সমস্যাৰ পূৰ্ণ সমাধান নোহোৱালৈকে এই ন-কমনওৱেলথৰ ভৱিষ্যতো বৰ সুবিধাজনক নহ'ব বুলি ভবাৰ থল আছে। এই কথা ভবাৰ কথা যেনে :

কমনওৱেলথ কাৰেন্সি, আনৱিক অস্ত্ৰ-শস্ত্ৰৰ অধিকাৰ, সাৰ্বিক সুৰক্ষা-ব্যৱস্থা ইত্যাদি বহুতো ধৰণৰ নিৰাপত্তামূলক তথা দেশৰক্ষামূলক সমস্যাৰ সমাধান সকলোটিয়ে একগোট হৈ নিৰ্ণয় নকৰালৈকে কিছু সংশয় নিশ্চয় থাকি যাব।

১৯২৭ চনত ঘটা ৰুশ্ব্-বিপ্লৱক বিংশ শতিকাৰ ইতিহাসত এক মাইল-খুটা বুলি অভিহিত কৰিব পাৰি। এতিয়াৰ ৰুশ্ব্ দেশত যি অভাৱিত পৰিৱৰ্তন হৈছে— তাৰ ভৱিষ্যৎ পৰিণাম কি হ'ব—সমগ্ৰ বিশ্ব তাৰ বাবে বাট চাই আছে।

প্ৰকৃত মাতৃ

ৰামপুৰ নামৰ গাঁৱত ৰামানুজ আৰু জানকী নামৰ এহাল দম্পতি আছিল। এইহালৰ একমাথোন পুত্ৰৰ নাম মাধৱ। কিন্তু জানকীৰ ভনীয়েকে এজনী ছোৱালীৰ জন্ম দিয়েই ঢুকোৱাত জানকীয়ে সেই সন্তানটিক লৈ আহিল আৰু ৰামানুজেও পিতৃৰ দৰেই এই কন্যা-সন্তানৰ দায়িত্ব কঢ়িয়াই থাকিল।

এইজনীৰ নাম মল্লিকা। মল্লিকা ডাঙৰ-দীঘল হোৱাৰ লগে লগে মল্লিকাৰ ইকথা-সিকথা লৈ ৰামানুজ আৰু জানকীৰ মাজত উখনা-উখনি লাগিল নানান কথাত। জানকীয়ে—মল্লিকাক চকুৰ পুতলীহেন দেখে, আৰু সেইহে মল্লিকায়ো অহংকাৰত ওফন্দি চুঙাৰফোঁপত হাত সুমাই থাকে। এই কথাত ৰামানুজে জানকীক সদায় কয়—মল্লিকাক শাসন কৰিবলৈ।

জানকীয়ে কয়, "ওঁ, তাই আপোনাৰ নিজৰ ছোৱালী হোৱাহেঁতেন নিশ্চয় এনে কথা নক'লেহেঁতেন। তাইক তুলি-তালি ডাঙৰ-দীঘল কৰি মই ভুলেইহে কৰিলোঁ।"

এইদৰে দিন যায়, বছৰ বাগৰে। মল্লিকাই বিয়াৰ বয়স পালে। কিন্তু মল্লিকাৰ অহংকাৰী স্বভাৱৰ ফলত আৰু জানকীৰো কাকো 'পছন্দ' নোহোৱাৰ ফলত—বাছোঁতে বাছোঁতে গেলা বৰালিত হাত পৰাৰ উপক্ৰম হ'ল।

শেহান্তৰত, ৰামপুৰ গাঁৱৰে অন্য চুবুৰীৰ গিৰিধৰৰ লগত মল্লিকাৰ বিয়া ছিদাংকৈ খাটাং কৰা হ'ল।

দুটা দিনৰ পাছত ৰামানুজে জানকীক ক'লে, "মল্লিকাৰ বিয়া ঠিক হৈ

ললিতা গোস্বামী

গ'ল। গতিকে—মাধৱৰ বিয়াখনো পাতি পেলোৱাই ভাল হ'ব।"

"তাৰ বিয়ালৈনো ইমান খৰখেদাখন কিহলৈ?" জানকীয়ে ক'লে।

"কথা হ'ল যে—মোক নেৰায়ণে ধৰিছে।" ৰামানুজে ক'লে।

"নেৰায়ণে ধৰিছে — মানে— ?"

"মানে হ'ল যে—নেৰায়ণে আমাৰ মাধৱৰ লগত তাৰ ছোৱালীজনী বিয়াখন পাতিবলৈ মোক সদায় কৈ আছে।"

নাৰায়ণ হ'ল ৰামানুজৰ সৰুকালৰ বন্ধু। আৰু—নাৰায়ণৰ পুতেক বেণু আৰু ৰামানুজৰ পুতেক মাধৱো পৰস্পৰৰ বন্ধু।

"কিন্তু—নাৰায়ণৰ ছোৱালীজনীৰ—কমলাৰ বিয়াৰ কথা শুনিছিলোঁ তেওঁলোকৰে দূৰ সম্পৰ্কীয় কোনোবাৰ লগত যে—তাৰ কি হ'ল?" জানকীয়ে গিৰিয়েকক সুধিলে।

"সেই সম্বন্ধ যে নহ'ল—তুমিও জানাই দেখোন।"

"জানো। আৰু এই কথাটোও জানো যে নাৰায়ণৰ ছোৱালী কমলাৰ কটুৰ-কেটেৰ কথাৰ কাৰণেই নহ'ল।" জানকীয়ে গিৰিয়েক ৰামানুজক একেবাৰে গলে-খুটাই বান্ধিলে!

তেতিয়া তাত মাধৱো আছিল। মাকৰ কথাত আচৰিত হৈ মাধৱে কৈ উঠিল, "মা, কমলাক তুমি সৰুৰেপৰাই জানা। তথাপিনো কিয় তেনেকৈ কৈছা?"

জানকীয়ে পুতেকলৈ ঘোপাকৈ চালে।

মাধৱে পুনৰ ক'লে, "মা, কমলাৰ সম্পৰ্কে তোমাৰ ধাৰণা ভুল। কমলাৰ কটুৰ-কেটেৰ কথাৰ কাৰণে নহয়, যৌতুকৰ কাৰণেহে কমলাই নিজেই নিজৰ সেই বিয়াখন বন্ধ কৰিছিল।" আচল কথা হ'ল এয়ে। কমলাৰনো কি দোষ?"

ডাঙৰহঁত কথাত ভাগ লোৱা এই ছোৱালী আমাৰ বোৱাৰী হৈ আহে যদি—আমাকো কিজানি তাই খেদিহে

এৰিব। আৰু কথা যিস্থলত খাটাঙেই কৰা হৈছে, তেতিয়া আৰু মোৰ লগত চৌতাং মৰাৰ দৰকাৰ কি?" এই বুলি কৈয়েই জানকী তাৰপৰা আঁতৰি গ'ল।

যি কি নহওক—মল্লিকাৰ বিয়াখন হৈ যোৱাৰ পাছতেই মাধৱৰো বিয়া পতা হৈছিল কমলাৰ লগতে। জানকীয়ে জানে—কোন বোৱাৰীক কেনেকৈ ৰাব লাগে। গতিকে—জানকীয়ে মুহূৰ্তমানৰ বাবেও কমলাক থিৰেৰে থাকিবলৈ নিদিয়া হ'ল। কিন্তু জানকীৰ সহস্ৰ কটু-কটুৰ ব্যৱহাৰতো কমলা অলপো উত্তেজিত নহ'ল। কমলাৰ এনে বৰফ-ঠাণ্ডা শান্ত স্বভাৱ চাই আন নালাগে—স্বয়ং জানকীয়েই কেঁৰী হৈ পৰিল।

এদিন কমলা আৰু মাধৱ গ'ল মল্লিকাহঁতৰ ঘৰলৈ—মল্লিকাৰ খা-খবৰ ল'বলৈ। কিন্তু যোৱাৰ অলপ সময়ৰ পাছতেই দুয়ো উভতি আহিল ঘৰলৈ। মল্লিকা আৰু গিৰিধৰো মাধৱ-মল্লিকাৰ লগত আহিল। কমলাৰ মূৰত কাপোৰেৰে পটি বন্ধা আছিল।

কাণ্ড চাই ৰামানুজে ভেবা লাগি সুধিলে, "আই কমলা, মূৰত তোমাৰ কি হ'ল? এনে অৱস্থা কেনেকৈনো হ'ল?"

ৰামানুজৰ এই প্ৰশ্নৰ উত্তৰত জোঁৱায়েক গিৰিধৰে ক'লে, "এই প্ৰশ্নৰ উত্তৰ কমলাক নহয়, মল্লিকাক সোধক।"

তাইক কোনো সান্ত্বনা দিব নোৱাৰিলে।

অলপ পাছত গিৰিধৰে মল্লিকাক ক'লে, "ইয়াত থিয়ৈ থিয়ৈ চকুপানী পেলাইনো কি লাভ হ'ব? ব'লা, ঘৰলৈ ব'লা।" এই বুলি কৈ গিৰিধৰে মল্লিকাক লৈ গুচি গ'ল।

জোঁৱায়েকৰ কথাখিনি শুনাৰ পাছত জানকীৰ মনত চিন্তাৰ চলক ঢৌ উঠিল। কিছু সময় ধৰি চিন্তা কৰি কৰি, তাৰ পাছত এসময়ত গিৰিয়েকৰ লগত মন্দিৰলৈ গ'ল 'হৰিকথা' শুনিবলৈ।

'হৰিকথা' শুনাওঁতা কথক ঠাকুৰে বনবাসলৈ ওলোৱা সীতা আৰু ৰামচন্দ্ৰলৈ কৌশল্যাৰ বিলাপৰ বৰ্ণনা কৰি থাকিল:

"নাৰী হ'ল কৰুণাৰ প্ৰতিমূৰ্তি। আমি করুণাৰ প্ৰতিমূৰ্তি নাৰীৰ মাজত বিশেষকৈ দুটা ৰূপ দেখা পাওঁ। মাতৃৰূপত নাৰী হ'ল সহনশীল তথা প্ৰেমময়ী আৰু শ্বশ্ৰূমাতাৰ অৰ্থাৎ শাহুৱেকৰ ৰূপত সম্পূৰ্ণ বিপৰীত স্বভাৱৰ। শ্বশ্ৰূমাতাৰ ৰূপত নাৰীয়ে তেওঁৰ নিজ কন্যাৰ দোষ-ত্ৰুটিলৈ চকুমুদা কুলিৰ ভাও ধৰি আনৰ ছোৱালীৰ ছিদিৰ ধৰি নৰক-যাতনা দিয়ে। কিন্তু বাস্তৱত নিজৰ কন্যা আৰু আনৰ কন্যাত কোনো প্ৰভেদ-পাৰ্থক্য নাই, থাকিব নালাগে-নাপায়। কিয়নো

তাৰ পাছত গিৰিধৰে তাৰ শাহুৱেক জানকীৰ পিনে কঠোৰ দৃষ্টিৰে চাই ক'লে, "এই কাম আপোনাৰ আলাসত উঠাজনীৰহে কাম। মল্লিকা যেতিয়াৰপৰা আমাৰ ঘৰলৈ গ'ল তেতিয়াৰেপৰাই তাইৰ কটু-কটূৰ ব্যৱহাৰ আমি সহি আছোঁ। কিন্তু আজি এটা কথাত খং উঠি তাই পিতলৰ বাচন এটা মাৰি টোঁৱাই দলিয়াই মাৰিলে, লাগিলগৈ কমলাজনীৰ মূৰত।"

জানকীয়ে মল্লিকাৰ পিনে চালে। তিমানতে ভয়ৰ কোবত মল্লিকাজনীয়ে কান্দিবলৈ ধৰিছিল। কিন্তু জানকীয়ে

—জগতৰ সকলো কন্যায়েই সকলো নাৰীৰ কন্যা। গতিকে—নিজৰ কন্যাৰ বেলিকা একপ্ৰকাৰৰ, আৰু আনৰ কন্যাৰ বেলিকা অন্য প্ৰকাৰৰ আচৰণ তথা ব্যৱহাৰ কৰাটো প্ৰকৃত মাতৃৰ পক্ষে অতি গৰিহিত কাৰ্য্য। তেনেহেন মাতৃ সন্তানৱতী হ'লেও বন্ধ্যাস্বৰূপ।" এই কথা কোৱাৰ অন্তত পণ্ডিত কথকঠাকুৰ ৰ'ল।

শুনি জানকী যথেষ্ট বিচলিত হ'ল। বিচলিত অৱস্থাতে জানকীয়ে গিৰিয়েক ৰামানুজৰ সৈতে ঘৰলৈ উভতি যাবলৈ ধৰিলে।

বাটত ৰামানুজে জানকীক ক'লে, "জানকী, কথকঠাকুৰৰ কথা অনুসাৰে তুমিও কিন্তু মাতৃ হৈও বন্ধ্যা নাৰী।"

গিৰিয়েকৰ কথা শুনি জানকীৰ দুগাল তিয়াই চকুলো বাগৰি আহিল। কিছু সময় ধৰি কন্দাৰ অন্তত চকুলো মচি জানকীয়ে ক'লে, "মই মানি লৈছোঁ, আজিলৈকে মই বন্ধ্যা হৈ আছোঁ। কিন্তু এতিয়া মোৰ চকু মুকলি হ'ল। মোৰ মনৰপৰা প্ৰেমতো পক্ষপাতিতাৰ দিন শেষ হ'ল। কমলাৰ দৰে বোৱাৰী পোৱাটো ভাগ্যৰ কথা। মল্লিকাক মাতৃহাৰা বুলি মই যে লাই দি বহুখিনিলৈকে নষ্ট কৰিলোঁ—তাকো মই বুজি পাইছোঁ। মই এই কথা পৰিষ্কাৰকৈ বুজিছোঁ যে—মল্লিকা আৰু কমলাকো মই যেতিয়া সমদৃষ্টিৰে দেখিম—তেতিয়াহে মই নিজক এই জগতৰ এজনী প্ৰকৃত মাতৃ বুলি দাবী কৰিব পাৰিম।"

পৰিবাৰৰ এই পৰিৱৰ্তনে ৰামানুজক আনন্দিত কৰি তুলিলে আৰু তেওঁ ধেমালিতে ক'লে, "বাৰু, প্ৰকৃত মা—আচ্‌লী মা—নিশ্চয় হ'বা—কিন্তু মল্লিকাৰ দৰে কমলাকো যেন উচহ মাতি নষ্ট নকৰিবা।" ৰামানুজৰ হাঁহিৰ সৈতে জানকীয়েও আনন্দৰে যোগ দিলে।



খৰখেদাৰ খৰবাগৰ

বৈদ্য রুদ্রশৰ্মাৰ ওচৰত চক্ৰবৰ্মা নামৰ যুৱক এজনে চিকিৎসাবিদ্যা শিকি আছিল। রুদ্রশৰ্মাই বিধোবিধ ৰোগৰ বিধোৰিধলা-লক্ষ্মণ আৰু চিকিৎসা-প্ৰণালী, আৰু লগতে ঔষধ-প্ৰকৰণো শিকাইছিল আৰু চক্ৰবৰ্মাই সেই বিবৰণ লিপিৱদ্ধ কৰি লৈছিল।

এবাৰ রুদ্রশৰ্মাই তেওঁৰ শিষ্য চক্ৰবৰ্মাক কাথই কথাই ক'লে, "কিছুমান ৰোগৰ কোনো ঔষধ নাই। যেনে—হিকটিৰ কোনো ঔষধ নাই। এই হিকটি যদি কাৰোবাৰ হয়, তেনেহ'লে কেৱল ঢৰা-চাপৰেৰেহে হিকটি নোহোৱা কৰিব পাৰি, আন ঔষধ নাই।"

ঠিক তেতিয়াই এখন ঘোঁৰা-বাগীৰপৰা শকত-আৱত মানুহ এজন তাত নামিলহি। মানুহজনে বৈদ্য রুদ্রশৰ্মাদেৱক ক'লে, "কালি ৰাতিৰপৰা অতিপাত হিকটি হৈছে—আৰু—"

মানুহজনে আৰু একো ক'বলৈ নৌপাওঁতেই চক্ৰবৰ্মাই মানুহজনৰ গালত জোৰেৰে ঢৰা-চাপৰ এটা মাৰি ক'লে, "আপোনাৰ হিকটি এতিয়াই নোহোৱা হ'ব।"

মানুহজনে চক্ৰবৰ্মাৰ পিনে জুইৰ দৰে চাই ক'লে, "আৰে বেওকুফ! হিকটি মোৰ নহয়—হিকটীয়াই থকা মানুহজন এতিয়াও বাগীৰ ভিতৰতে বহি আছে!"

রুদ্রশৰ্মাই চক্ৰবৰ্মাৰ পিনে বাঘৰ দৃষ্টিৰে চালে। তেতিয়াহে চক্ৰবৰ্মাই বুজিলে যে চিকিৎসাত খৰখেদা কৰিব নাপায়।

—এম. ডি. সৌজন্য

অপূৰ্ব কাহিনী

১৩

[আগৰ কথা : ৰুদ্ৰপুৰীৰ অসৎ মহামন্ত্ৰী আৰু তান্ত্ৰিক বীৰবিকটে মিলি ৰাজকুঁৱৰীৰ ডিঙিত উজ্বলি থকা চন্দ্ৰকান্তমণি অপহৰণ কৰিবলৈ ষড়যন্ত্ৰ পাতিছিল, কিন্তু পাছত আলৰী-যাতুকৰীৰ দাবী অনুসাৰে মহামূল্যবান চন্দ্ৰকান্তমণিৰ সৈতে স্বয়ং ৰাজকুঁৱৰীকো অপহৰণ কৰিবলৈ সাজু হ'ল। ৰাজকুঁৱৰীৰ জন্মোৎসৱ উপলক্ষ্যে ৰাজকুঁৱৰীয়ে দুৰ্গা-গোসাঁনী মন্দিৰলৈ যাব লাগিব, আৰু সেই মন্দিৰৰ গৰ্ভগৃহৰ পিছফালে থকা সুড়ংগৰ মাজেদিয়েই ৰাজকুঁৱৰীক অপহৰণ কৰা হ'ব সেই ষড়যন্ত্ৰী দুটাই—এই নিছিদ্ৰী উপায় স্থিৰ কৰা হ'ল। আৰু তাৰ পাছত···]

ৰাজকুঁৱৰীৰ জন্মোৎসৱ চমু চাপি আহিল। ষড়যন্ত্ৰী-মহামন্ত্ৰী-আৰু তান্ত্ৰিক বীৰবিকটৰ মাজত হোৱা কথাখিনি মহাৰাজ বিশ্বকৰ্মাদেৱক কোৱাৰ বাবে সমীৰক মহাৰাজৰ ওচৰলৈ পঠাবৰ মনেৰে অপূৰ্ব সমীৰৰ ওচৰলৈ গ'ল আৰু অপূৰ্বৰপৰা এই ষড়যন্ত্ৰৰ বিৱৰণ শুনি সমীৰ তৎক্ষণাৎ ৰাজধানীলৈ বুলি গুমাই ৰাওনা হ'ল।

সিদিনা আছিল ঘোৰ আউসীৰ অন্ধকাৰ। সেই আউসীৰ নিশা ঘোৰ অন্ধকাৰৰ মাজেদি তান্ত্ৰিক গৈ থাকিল মহামন্ত্ৰীৰ প্ৰাসাদলৈ।

মহামন্ত্ৰীৰ প্ৰাসাদৰ দুৱাৰত খট-খটোৱাৰ শব্দ শুনি স্বয়ং মহামন্ত্ৰীয়ে দুৱাৰ খুলি সুধিলে, "কি কথা ! এই দুপৰ নিশা ওলালাহি যে!"



"মই দুপৰ-তিনিপৰ নিশা নোহোৱাকৈ কেতিয়াবা তোমাৰ ঘৰ পাওঁহিনে?" ধেমেলীয়া সুৰেৰে বীৰবিকটে ক'লে।

"সেই কথা কোৱা নাই। কথা হ'ল যে—ক'ৰবাত কিবা গড়বড় হোৱা নাই তো?" মহামন্ত্ৰীয়ে সুধিলে।

"ওঁ, হোৱা বুলিয়েই ধৰি লোৱা। সেই যাদুকৰী বুঢ়ীয়ে কৈছে যে আমাৰ আঁচনিৰ কথা তৃতীয় কোনোবাই জানিলে। তৃতীয়-কোনোবাই হেনো আমাৰ গতিবিধিৰ ওপৰত নজৰ ৰাখিছে।" বীৰবিকটে ক'লে।

"এয়া অসম্ভৱ কথা।"

"যাদুকৰী বুঢ়ীৰ মনত এনেকুৱা সন্দেহ হ'ব নালাগিছিল। কিন্তু বুঢ়ীয়ে কৈছে যেতিয়া—ভাবিবলগীয়া। কিয়নো—যাদুকৰীৰ কথা কেতিয়াও বিফল নহয়। তুমি বাৰু আমাৰ আঁচনিৰ কথা তোমাৰ পৰিবাৰক, বা আন কাৰোবাক কৈছানে?" তান্ত্ৰিকে সুধিলে।

"নহয়, আমাৰ বন্ধুতাৰ নামত শপত খাই কৈছোঁ।" মহামন্ত্ৰীয়ে ক'লে।

"তোমাৰ ওপৰত তেনেকুৱা কোনো সন্দেহ মোৰ নাই। তথাপি আমাৰ আঁচনিক সফল কৰি তুলিবলৈ হ'লে নিশ্ছিদ্ৰ সাৱধানতাৰ আৱশ্যক। নিজৰ বিশ্বাসী চিপাহীইঁতক ৰাজপ্ৰাসাদৰ চাৰিও ফালে পহৰাত ৰাখিবা, আৰু এই পহৰা দিনে-নিশায়েই চলি থকাৰ বন্দৱস্ত কৰিবা। কোনো নতুন মানুহে যাতে মহাৰাজক দৰ্শন কৰিবলৈ যাব নোৱাৰে—তাৰ বাবে কটকটীয়াকৈ আদেশ দিবা।" সকলো পিনে সদা-সৰ্বক্ষণ সাৱধান হৈ থাকিবা। এই বুলি কৈ—তান্ত্ৰিক বীৰবিকট তাৰপৰা গুচি গ'ল।

পাছদিনাই ৰাজকুঁৱৰীৰ জন্মদিনৰ উৎসৱ। সকলো বন্দৱস্ত সুচাৰুৰূপে কৰা হৈছে। অপূৰ্বয়ো তাত অদৃশ্যভাবে ঘূৰা-ফূৰা কৰিছে আৰু ভাবিছে যে—

মহাৰাজ বিশ্বৰ্মাক কেনেকৈ তান্ত্রিক-মহামন্ত্রীৰ ষড়যন্ত্রৰ কথা ক'ব পৰা যায়। কিয়নো—মহামন্ত্রীৰ নিশ্ছিদ্র বন্দৰস্ত তথা কটকটীয়া পহৰাৰ ব্যৱস্থাৰ ফলত সমীৰে সেই পহৰা ভেদ কৰি মহাৰাজৰ সমীপলৈ যোৱা উপায় নাই।

কি উপায় কৰা যায়—ভাবি থাকোঁতে সমীৰে অপূৰ্বক ক'লে মহাৰাজ প্ৰতিদিন সূৰ্য্যাস্তৰ কালত প্ৰাসাদৰ ছাদলৈ আহে আৰু সূৰ্য্যাস্ত হোৱালৈকে থাকে। এই কথা শুনি অপূৰ্বই ততাতৈয়াকৈ তালপাতত এই ষড়যন্ত্ৰৰ ঘটনাৰ কথাখিনি চমুকৈ লিখিলে আৰু বিশেষকৈ এই কথা লিখিলে যে—কোনো অৱস্থাতে ৰাজকুঁৱৰীক দুৰ্গা মন্দিৰৰ গৰ্ভগৃহত থকা দুৰ্গা-প্ৰতিমাৰ পিছফাললৈ যাবলৈ দিয়া নহয় যেন।

তাৰ পাছত অপূৰ্বই আকাশত উৰি থকা শগুণ এটাক মাতি আনি শগুণটোক কথা কিছুমান ক'লে আৰু শগুণটোৱে তালপাতখিনি ঠোঁটেৰে কঢ়িয়াই লৈ লৈ ৰাজপ্ৰাসাদৰ চাললৈ উৰা মাৰিলে।

দীঘল ঠোঁটযুৰিত তালপাতখিনি কঢ়িয়াই আকাশলৈ উৰি যোৱা শগুণটোক দেখা পাই সন্দেহ হোৱাত মহামন্ত্রীৰ পৰীয়া এটাই শগুণটোলৈ

টোঁৱাই কাঁড় এৰিলে, আৰু তাৰ ফলত—কাঁড়ডালে যদিও শগুণটোক বিন্ধিব নোৱাৰিলে, তথাপি—শগুণটোৱে ভয়তে প্ৰাসাদৰ চাললৈ নগৈ বায়ুবেগেৰে অন্য পিনে গুচি গ'ল, আৰু তালপাতখিনি তাৰ ঠোঁটৰপৰা তললৈ সৰি পৰিল।

কিন্তু এই ঘটনাটো অপূৰ্বই বা সমীৰেও দেখা পোৱা নাছিল। সিহঁতে ভাবিছিল যে—তালপাতখিনি তিমানতে মহাৰাজে পালে আৰু ৰাজকুঁৱৰীৰ সুৰক্ষাৰ বাবে নিশ্চয় তুৰন্তে কিবা ব্যৱস্থা অৱলম্বন কৰিলে।

আজি ৰাজধানীৰ সকলোতে কেৱল



আনন্দ আৰু আনন্দৰ নিজৰা সদা-সৰ্বক্ষণৰ বাবে প্ৰবাহিত হৈছে। ৰুদ্ৰপুৰী, আৰু লগতে চুবুৰীয়া ৰাজ্যৰো ভালেমান ৰাজপ্ৰতিনিধি, ৰাজপৰিয়ালৰ বন্ধু-বান্ধৱ সমৱেত হৈছেহি ৰাজকুঁৱৰীক তেওঁৰ জন্মদিৱস উপলক্ষ্যে অভিনন্দন জ্ঞাপন কৰিবলৈ। সমীৰো তাতেই আছিল, আৰু নানান ঘটনাৰ বিৱৰণ অপূৰ্বক দি আছিল।

কিন্তু মহাৰাজৰ, বা ৰাজকুঁৱৰীৰ আচাৰ-আচৰণত কোনো পৰিৱৰ্তনৰ লা-লক্ষণ নেদেখি অপূৰ্ব বিস্মিত হ'ল। আনকি — ৰাজকুঁৱৰীক এই ষড়যন্ত্ৰীহঁতৰ কবলৰপৰা ৰক্ষা কৰিবলৈ কোনো বিশেষ বন্দৰস্তও অপূৰ্বই দেখা নাপাই চিন্তিত হৈ উঠিল। তেতিয়া অপূৰ্বই ভাবিলে: মহাৰাজে তেন্তে তালপাতখিনি পোৱা নাইনে কি?

এইবোৰ কথা ভাবোঁতেই সন্ধ্যা সমাগত হ'ল আৰু মহাৰাজৰ সৈতে ৰাজকুঁৱৰীও শোভাযাত্ৰা সহকাৰে দুৰ্গা-মন্দিৰলৈ বুলি ৰাওনা হ'ল।

তাত, মন্দিৰৰ ওচৰত, ৰাজকুঁৱৰীক চাবলৈ হাজাৰ-বিজাৰ মানুহ-মুনিহ গোট খাইছিলহি। তেতিয়া মন্দিৰৰ ভিতৰত পূজা-আৰতি চলি আছিল, বাদ্যভাণ্ড বাজি আছিল। আচল পুৰোহিতক অপহৰণ কৰি বন্দী কৰি থৈ তান্ত্ৰিক বীৰবিকটেই প্ৰধান পুৰোহিতৰ ভাও দিছিল, আৰু লগতে তাৰ সহকাৰী ৰূপেও তাৰেই দুটা অনুচৰ তাৰ লগত আছিল। সেই অনুচৰ দুটাই ৰাজকুঁৱৰীক মন্দিৰৰ গৰ্ভগৃহলৈ আগ বঢ়াই লৈ আহিল আৰু প্ৰধান পুৰোহিতৰূপী তান্ত্ৰিক বীৰবিকটৰ নিৰ্দেশক্ৰমে দুৰ্গা-প্ৰতিমাক প্ৰদক্ষিণ কৰিবলৈ প্ৰধান পুৰোহিতৰ পিছে পিছে ৰাজকুঁৱৰী গৈ থাকিল।

প্ৰধান পুৰোহিতে পিছ ফাললৈ চাই ক'লে, "ৰাজকুঁৱৰীৰ পিছে পিছে আন কোনো আহিব নালাগে। ৰাজকুঁৱৰীয়ে

সম্পূৰ্ণ এককভাবে এক বিশেষ পূজা কৰিব লাগিব।"

এই কথা শুনি ৰাজকুঁৱৰীৰ লগত থকা সখিয়েকহঁত আৰু লিগিৰীহঁতেও ৰৈ দিলে।

প্ৰধান পুৰোহিতৰ সেই শিষ্য তথা সহকাৰী-ৰূপী অনুচৰ দুটাই উচ্চ স্বৰেৰে মন্ত্ৰ পাঠ কৰি আছিল আৰু সুউচ্চ নিনাদেৰে বাদ্যভাণ্ড বাজি আছিল। অতি ধীৰ খোজেৰে প্ৰদক্ষিণ কৰি কৰি ৰাজকুঁৱৰী যেতিয়া দুৰ্গা-প্ৰতিমাৰ পিছ ফালে থকা সেই সুড়ংগমুখ পালেগৈ, তেতিয়া প্ৰধান পুৰোহিতৰূপী বীৰবিকটে ৰাজকুঁৱৰীক সেই সুড়ংগৰ ভিতৰলৈ ঠেলি সুমুৱাই দিলে আৰু নিজেও জাঁপ মাৰি সোমাই সুড়ংগৰ প্ৰবেশদ্বাৰ মুহূৰ্ততে বন্ধ কৰি দিলে।

মহাৰাজ তেতিয়াও সপাৰিষদ মন্দিৰৰ বাহিৰত ৰৈ আছিল। সমীৰে মানুহৰ ভিৰ ফালি বাহিৰলৈ ওলাই আহি চিঞৰি দিলে, "মহাৰাজ! ৰাজকুঁৱৰীক অপহৰণ কৰা হ'ল!"

মহাৰাজে অবাক দৃষ্টি মেলি সমীৰলৈ চালে। কথানো কি?

তেতিয়া সমীৰে ক'লে, "মহাৰাজ! মই সমীৰ। মোৰ কথা বিশ্বাস কৰক এতিয়াই ৰাজকুঁৱৰীক উদ্ধাৰৰ বাবে ব্যৱস্থা লওক। মন্দিৰৰ গৰ্ভগৃহত থকা প্ৰতিমাৰ পিছফালে থকা গুপ্তপথেৰে ৰাজকুঁৱৰীক অপহৰণ কৰি লৈ গৈছে। গতিকে—তেওঁক উদ্ধাৰৰ বাবে আমি সেই সুড়ংগপথৰ সিমূৰলৈ এতিয়াই—অলপো সময় নষ্ট নকৰি যোৱা আৱশ্যক।"

তাৰ পাছত সমীৰে মহামন্ত্ৰী আৰু তান্ত্ৰিকৰ আঁচনিৰ কথাখিনি মহাৰাজক চমুকৈ কিন্তু প্ৰাঞ্জলভাবে বুজাই ক'লে।

মহাৰাজে সমীৰৰ কথা মতে তৎক্ষণাৎ ব্যৱস্থা অৱলম্বন কৰিলে। তেওঁ তেওঁৰ সেনাধিপতি আৰু বছা বছা দেহৰক্ষীক লগত লৈ বেগৱান ঘোঁৰাত উঠি তৎক্ষণাৎ

মাৰি হাঁহিবলৈ ধৰিলে বৰগছজোপাৰ ডালত বহি।

"সেই ডালৰপৰা যদি নামিছা, তুমি নিজেই ভস্ম হ'বা বুলি জানিবা— ।" এক সুগম্ভীৰ কণ্ঠই ক'ৰবাৰপৰা এই কথা কৈ উঠিল। আৰু সেই কণ্ঠস্বৰৰ পিনে সকলোটিয়েই একেলগে ঘূৰি চালে।

অলপমান আঁতৰত এগৰাকী মুনিক থিয় হৈ থকা দেখা গ'ল। এওঁ আছিল মুনি সদানন্দ।

সদানন্দ মুনিক দেখা পায়েই সমীৰে মুনিৰ চৰণত প্ৰণাম কৰিলে আৰু ক'লে, "কিবা কঠিন সমস্যাত তথা ঘোৰ বিপদত পৰিলে আপোনাক স্মঁৰিবলৈ অপূৰ্বই মোক পৰামৰ্শ দিছিল।"

মুনি সদানন্দই মৃদুকৈ হাঁহি মাৰি ক'লে, "হয়, তুমি ঠিকেই কৈছা। মই অপূৰ্বৰ মাত শুনিয়েই ইয়ালৈ আহিলোঁ। তাত যিজনী কংকালহেন বুঢ়ী বহি আছে, সেইজনী সাধাৰণ যাদুকৰী নহয়, ভয়ানক ক্ষমতাৰ অধিকাৰিণী সৌ যাদুকৰীৰ অনিষ্ট কৰাৰ শক্তি মোৰ বাহিৰে হয়তো আন কাৰোৰেই নাই। তাই ৰাজকুঁৱৰীৰ যৌৱন-ৰস শুহি লোৱাৰ তালত আছিল। এইদৰে, আনৰ যৌৱন-ৰস শুহি শুহি তাই বুঢ়ী যাদুকৰীয়ে শতিকাৰ পাছত শতিকা

সেই সুড়ংগৰ তথা গুপ্তপথৰ সিমূৰ পালেগৈ। তাত তেতিয়া এজোপা গছৰ ডালত সেই বুঢ়ী যাদুকৰী বহি আছিল।

সমীৰে ঘোঁৰাৰপৰা জাঁপ মাৰি নামিয়েই মহাৰাজক ক'লে, "মহাৰাজ! সেই বুঢ়ী যাদুকৰীক এতিয়াই বন্দী কৰক!"

"হ্ হ্ হ্ হ্ হ্—হঃ! মোক তহঁতে বন্দী কৰিবলৈ আহিছ বাপৰ বেটাহঁত! হি হি হি হিঃ! মই তহঁতক এতিয়া-এই মুহূৰ্ততে চকুৰ পচাৰ নৌ পৰোঁতেই ভস্ম কৰি পেলাম। ৰঃ!" এই বুলি কৈ কংকালহেন বুঢ়ী যাদুকৰীয়ে জাঁপ মাৰি

জীৰ্ণ হৈও জীয়াই আছে। যি কি নহওক, এতিয়া আৰু ভয় নাই, মই এই যাদুকৰী চয়তানী বুঢ়ীৰ সৰ্বশক্তি ইতিমধ্যেই নষ্ট কৰি পেলালোঁ।"

বুঢ়ী যাদুকৰীয়ে কেঁকাই কেঁকাই ক'লে, "তুমি মোৰ সৰ্বশক্তি নষ্ট কৰিব নোৱাৰিবা। হা হা হা হা হাঃ! মোৰ মাজত আৰু এটা ভয়ানক শক্তি আছে এতিয়াই তাৰ প্ৰমাণ পাই যাব—হি—হিঃ হিঃ!"

এই বুলি কোৱাৰ লগে লগেই সেই-গভীৰ অৰণ্যত অকস্মাৎ জুই লাগি গ'ল আৰু চাওঁতে চাওঁতে সেই মহাৰণ্য পুৰি ভস্ম হৈ গ'ল। কেৱল সেই বিৰাট আৰু আওপুৰণি বৰগছজোপাহে ৰক্ষা পৰিল।

আৰু ঠিক তেতিয়াই সেই বৰগছজোপাৰ সমীপৱৰ্তী ঠাইৰ মাটিৰ তলৰপৰা গুমগুমনিৰ শব্দ উঠিল। চাওঁতে চাওঁতে সুড়ংগৰ দুৱাৰমুখ উন্মুক্ত হ'ল আৰু দিব্যপুৰুষৰ দৰে যুৱক এজন তাৰ লগত কটকটীয়াকৈ হাত বন্ধা অৱস্থাত তান্ত্ৰিক বীৰবিকটক লৈ সুড়ংগৰপৰা ওলাই আহিল। পাছ মুহূৰ্ততে ৰাজকুঁৱৰীও সুড়ংগৰপৰা ওলাল আৰু একেলৰে পিতৃ মহাৰাজৰ বুকুৰ মাজত সোমাই পৰিলগৈ।

এই দিব্যপুৰুষ যুৱকে সদানন্দ মুনিক প্ৰণাম কৰিবলৈ ধৰাত মুনিয়ে তাক ৰখাই ক'লে, "পুত্ৰ অপূৰ্ব! তুমি এতিয়াৰপৰা

সাধাৰণ মানৱ-ৰূপে সাধাৰণৰ উপকাৰাৰ্থে সাধাৰণৰ মাজতে জীয়াই থাকিবৰ হ'ল।"

ৰাজকুঁৱৰীয়ে অপূৰ্বলৈ আঙুলিয়াই ক'লে, "সেই মহা চয়তান তান্ত্ৰিকৰ কবলৰপৰা এইজন যুৱকেই মোক ৰক্ষা কৰিলে, দেউতা!"

মহাৰাজে অপূৰ্বলৈ সস্নেহ দৃষ্টিৰে চাই ক'লে, "এওঁৰ ঋণ আমি কোনো-কাহানিও পৰিশোধ কৰিব নোৱাৰিম।"

"মোৰ কাৰ্য্য সমাপ্ত হ'ল, মই এতিয়া সকলোটিৰপৰা বিদায় লৈছোঁ।" মুনিয়ে ক'লে।

"ময়ো আপোনাৰ লগে লগে যাম, পিতা!" অপূৰ্বই ক'লে।

"তোমাৰ আবদ্ধ কৰ্ম আৰু বহুদিন-বহুকাল কৰিবলগীয়া আছে, পুত্ৰ মোৰ! মোৰ লৈতে তোমাৰ যোৱা নহ'ব। তুমি পৃথিৱীৰ মংগলৰ কাৰণে জনমিছা, সৰ্বসাধাৰণৰ মংগলৰ কাৰণে তেওঁলোকৰ মাজতে জীয়াই থাকি ধৰ্মক সাৰোগত কৰি জীৱন পাৰ কৰিবা—এই আশীৰ্বাদ কৰিছোঁ মই।" মুনিয়ে ক'লে।

"আজিৰপৰা তোমাক আমাৰ এই ৰাজ্যৰ ৰজা পতা হ'ল। অপূৰ্ব! আৰু—তোমাৰ যদি আপত্তি নাই—তুমি যিজনীৰ প্ৰাণ ৰক্ষা কৰিলা—সেইজনীক—ৰাজকুঁৱৰীকো তোমাৰ হাতত অৰ্পণ কৰা হ'ল। ৰুদ্ৰপুৰীৰ, আৰু লগতে লাৱণ্য-পুৰীৰো তুমি হ'বা একচ্ছত্ৰী সম্ৰাট।" মহাৰাজ বিশ্ববৰ্মাদেৱে ঘোষণা কৰিলে।

অপূৰ্বই ৰাজকুঁৱৰীলৈ চালে, ৰাজকুঁৱৰীয়ে লাজ লাজ কৰি তললৈ চালে। সদানন্দ মুনিয়ে দুয়োকো এঠাইত থিয় কৰাই দুয়োৰো মূৰত হাত থৈ ক'লে, "এতিয়াৰপৰা মানৱজাতিৰ কল্যাণেই হওক তোমালোকৰ ধৰ্ম—এয়ে মোৰ আশীৰ্বাদ!" এই বুলি কৈ সদানন্দ মুনি চিৰকালৰ বাবে অদৃশ্য হৈ পৰিল। [অন্ত]

অপৰাধ আৰু অপৰাধী

অটল প্ৰতিজ্ঞাৱদ্ধ বিক্ৰমাদিত্যাই পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ, শ্মশানমুৱা হোৱাত মৃতদেহৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা বিক্ৰম! তোমাৰ এই অভাৱিত কষ্টলৈ চাই মোৰ মনত পৰিছে চন্দ্ৰসেন ৰজাৰ কাহিনী, যিগৰাকী ৰজাই নিজেই নিজৰ অপৰাধ স্বীকৃত কৰি প্ৰায় সমগ্ৰ জীৱনকাল ধৰি অপাৰ কষ্ট ভুঞ্জিছিল আৰু প্ৰকৃত পুণ্যকাৰ্য্যকো পাপকাৰ্য্য বুলি ভাবি নিজক নিজেই অপৰাধী বুলি সাব্যস্ত কৰিছিল। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও চিন্তাৰ সুস্থতা দিব পাৰিব আৰু তোমাৰ পথশ্ৰমো কথঞ্চিত লাঘৱ কৰিব পাৰিব।" এই বুলি কৈ বেতালে ৰজা চন্দ্ৰসেনৰ কাহিনী ক'বলৈ ধৰিলে ঃ

'বেতাল-কথা'



সুপ্ৰাচীন কালত উজ্জয়িনী নগৰ মহাৰাজ চন্দ্ৰসেনৰ শাসনাধীন আছিল। তেওঁৰ ৰাজসভাত কবি-পণ্ডিতবৰ্গ বিশেষ-ভাবে আদৃত হৈছিল।

এদিন কাশীৰপৰা শ্ৰীদত্ত নামৰ সুপণ্ডিত এগৰাকী উজ্জয়িনী নগৰলৈ আহিল আৰু তেওঁ ৰাজ-দৰ্শনৰ বাবে প্ৰাৰ্থনা কৰিলে। মহাৰাজ চন্দ্ৰসেনে পণ্ডিত শ্ৰীদত্তক ৰাজসভালৈ সাদৰ আহ্বান জনালে। শ্ৰীদত্তই তেওঁৰ অপাৰ পাণ্ডিত্যৰে মহাৰাজ-চন্দ্ৰসেনক তথা ৰাজসভাৰ পাৰিষদ তথা পণ্ডিতবৰ্গকো আমোদিত কৰিলে। ৰাজসভাৰ অনুষ্ঠান যেতিয়া সমাপ্ত হ'ল, তেতিয়া মহাৰাজে শ্ৰীদত্তক বহুমূল্য ৰত্নহাৰ পিন্ধাই দিলে।

ৰাজ-দৰবাৰৰপৰা বিদায় লৈ শ্ৰীদত্ত পুনৰ কাশীলৈ বুলি ৰাওনা হ'ল। কিন্তু দুৰ্ভাগ্যক্ৰমে তেওঁ কাশীলৈ গৈ পোৱাৰ আগতেই তেওঁৰ ডিঙিত মহাৰাজ চন্দ্ৰসেনে পিন্ধাই দিয়া ৰত্নহাৰ কাঢ়ি ল'বলৈ লুটিয়াৰ এটাই তেওঁক হত্যা কৰিলে। মহাৰাজ চন্দ্ৰসেনৰ সুদক্ষ চোৰাংচোৱাইঁতে লুটিয়াৰটোক হাতে-লোতে ধৰা পেলাই মহাৰাজ চন্দ্ৰসেনৰ আগত বিচাৰৰ বাবে দাখিল কৰিলে।

মহাৰাজে তৎক্ষণাৎ শ্ৰীদত্তৰ হত্যাকাৰী লুটিয়াৰটোক মৃত্যুদণ্ড বিহিলে।

কিন্তু তথাপি মহাৰাজৰ মনৰ অশান্তি অলপো প্ৰশমিত নহ'ল। মহাৰাজৰ ধাৰণা হ'ল যে—শ্ৰীদত্তৰ প্ৰকৃত হত্যাকাৰী স্বয়ং তেৱেঁই। কিয়নো—তেওঁ ৰত্নহাৰ উপহাৰ নিদিয়াহেঁতেন শ্ৰীদত্তক কোনো লুটিয়াৰেই আক্ৰমণ নকৰিলেহেঁতেন।

ক্ৰমে ক্ৰমে তেওঁৰ মনৰ গভীৰলৈ এই ধাৰণাই ইমান দ'কৈ শিপালে—যে তেওঁ ৰাজকাৰ্য্যলৈ মন নিদিয়া হ'ল, আৰু পাছত এই আত্ম-গ্লানিৰ বলি হৈ তেওঁ শয্যাশায়ী হৈ পৰিল। ৰাজবৈদ্যই বহু ধৰণে মহাৰাজক আৰোগ্য কৰিবলৈ চেষ্টা

কৰি চালে, কিন্তু অপৰাধৰ অনুভূতিয়ে খুলি খুলি খোৱা মৰাৰাজৰ মনৰপৰা অপৰাধৰ ধাৰণাক গুচাব নোৱাৰিলে।

এনেতে চতুর্বেদী নামৰ অলৌকিক ক্ষমতাসম্পন্ন সন্ন্যাসী এগৰাকী ৰাজ-মন্দিৰলৈ আহিল। মহাৰাণী আৰু মহামন্ত্রীয়ে সেই সন্ন্যাসী গৰাকীক মহাৰাজৰ অসুখৰ সকলো কথা ভাঙি-পাতি ক'লে আৰু তেওঁৰ অলৌকিক ক্ষমতাৰে মহাৰাজক সুস্থ কৰি তুলিবলৈ প্রার্থনা জনালে।



সন্যাসী চতুর্বেদী মহাৰাজক চাবলৈ তেওঁৰ শয়নকক্ষলৈ গ'ল। শয্যাৰ ওপৰত কংকালহেন হৈ পৰি থকা মহাৰাজক দেখি সন্যাসীৰ মন দ্রৱীভূত হ'ল।

সন্ন্যাসীয়ে মহাৰাজক ক'লে, "পুত্ৰ, তুমি এজন ক্ষত্রিয় হৈ ইমান দুর্বলতা তোমাক নোশোভে। ৰণভূমিত তুমি নিশ্চয় অজস্র শত্রুক বধিছা। কিন্তু সেই নিহত শত্রু বিলাকৰ আত্মাৰ বাবে কেতিয়াও এনেকৈ খেদ প্রকাশ কৰিছানে? এটা ডকাইতে যি জঘন্য কাম কৰিলে, যি পাপ কৰিলে--সেই পাপৰ বোজা কিয়নো অকাৰণে তুমি নিজৰ মূৰত লৈছা? এই কথা কিন্তু কেৱল মোৰেই নহয়—জগতৰো বুদ্ধিৰ অগম্য। ডকাইতে হত্যা কৰিলে, হত্যাকাৰী ডকাইতক তুমি মৃত্যুদণ্ড বিহিলা। তোমাৰ কর্তব্য সম্পূর্ণ হ'ল। এতিয়া তুমি অকাৰণেই নিজক নিজে পীড়িত কৰিছা।"

মহাৰাজে ক'লে, "কিয় যে মোৰ মন ইমান দুর্বল হ'ল—মই নিজেই ক'ব নোৱাৰিছোঁ। বহু চেষ্টাতো মই মনৰ শান্তি ঘূৰাই পোৱা নাই।"

সন্ন্যাসী চতুর্বেদীয়ে সামান্য ক্ষণ নিৰৱ হৈ থকাৰ অন্তত ক'লে, "মই যদি নিজৰ তপোবলেৰে শ্ৰীদত্তক পুনর্জীৱিত কৰি তোলোঁ তুমি পূর্ণ শান্তি ঘূৰাই পাবানে?"

সন্যাসীৰ এই কথা শুনিয়েই ক্ষণকালৰ বাবে মহাৰাজ চন্দ্ৰসেনৰ মুখভাব পোহৰ হ'ল ; কিন্তু পাছমুহূৰ্ত্ততে অন্য কিবা কাৰণত সেই পোহৰ নোহোৱা হ'ল।

মহাৰাজে দুয়োখন হাত দাঙি সন্যাসী চতুৰ্বেদীক প্ৰণাম কৰি ক'লে, "হে মহাত্মা! আপুনি দয়া কৰি সেই লুটিয়াৰটোকো পুনৰ্জীৱিত কৰি দিবনে ?"

সন্ন্যাসীয়ে মহাৰাজক ক'লে, "মোৰ ইমান তপোশক্তি নাই। মোৰ সমগ্ৰ তপোবলেৰে মাত্ৰ যিকোনো এজনকহে পুনৰ্জীৱিত কৰিব পাৰোঁ।"

"তেনেহ'লে—মই জানি-বুজি মোৰ পাপৰ বোজা বৃদ্ধি কৰিম কিয় ? শ্ৰীদত্তকো আপুনি পুনৰ্জীৱিত নকৰাই ভাল।" মহাৰাজে হুমুনিয়াহ কাঢ়িলে।

এই কাহিনী কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক ক'লে, "হে ৰজা, মহাৰাজ চন্দ্ৰসেনৰ আচৰণ অতি বিচিত্ৰ নহয়নে ? স্বয়ং সন্যাসীয়ে উপযাচক হৈ শ্ৰীদত্তক পুনৰ্জীৱিত কৰাৰ প্ৰস্তাৱ তেওঁ কিয় দলিয়াই পেলাইছিল ? এই প্ৰশ্নৰ সঠিক উত্তৰ জানিও নিদিয়া যদি—তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব—এই কথা ধ্ৰুৱ।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "সন্যাসীয়ে কেৱল শ্ৰীদত্তক পুন জীৱি কৰিলে তেতিয়া লুটিয়াৰটোৰ মৃত্যুদণ্ডৰ 'হেতু' নোহোৱা হৈ উঠিব বুলি মহাৰাজ চন্দ্ৰসেনে ভাবিছিল। তেতিয়া —অকাৰণ মৃত্যুদণ্ড বিহাৰ পাপ তেওঁৰ গাত থাকিয়েই যাব। গতিকে—সৎ তথা বিবেচক মহাৰাজ চন্দ্ৰসেনে এই প্ৰস্তাৱ প্ৰত্যাখান কৰি সঠিক কাৰ্য্যকে কৰিছিল বুলি ক'ব লাগিব।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি গ'ল। [কল্পিত

[বেৱতীৰ ৰচনাৰ সমল লৈ]



দুদিনীয়া-চিৰদিনীয়া

কেশৱ আৰু মাধৱ আছিল নলেগলে লগা বন্ধু। জীৱন আৰু জীৱিকাৰ কৰণে সিহঁত দুয়ো বেলেগ বেলেগ গাঁৱত থাকিছিল, যদিও তাৰ ফলত বন্ধুত্বৰ ইফাল-সিফাল, একেবাৰেই হোৱা নাছিল। দুয়ো প্ৰায়েই লগ লাগিছিল, আৰু নিজৰ নিজৰ সুখ-দুখৰ কথা পৰস্পৰক খুলি-মেলি কৈছিল-শুনিছিল।

কেশৱৰ পুত্ৰ বিদ্যাধৰ আৰু মাধৱৰ কন্যা মন্দাকিনী যথেষ্ট ডাঙৰ হৈ উঠিছিল। বিয়াৰ বয়স দুয়োৰো হ'ল। কেশৱে আৰু মাধৱেও তেওঁলোকৰ বন্ধুত্বক আত্মীয়তাৰ সূত্ৰেৰে চিৰস্থায়ী ৰূপে বান্ধিবলৈ মন মেলিলে।

এদিন দুয়োজনেই নিজ নিজ পুত্ৰ-কন্যাক কথাটো ক'লে। বিদ্যাধৰৰ সৈতে বিয়াৰ কথা শুনি মন্দাকিনীৰ গা-মন বিহু বিহু লাগিল, কিয়নো—তাই মনে মনে বিদ্যাধৰক ভাল পাই পেলাইছিল। কিন্তু —বিদ্যাধৰে মন্দাকিনীক বিয়া কৰাবলৈ অমান্তি হ'ল, কিয়নো—মন্দাকিনী দেখাত যথেষ্ট ধুনীয়া নাছিল এয়ে আছিল তাৰ একমাত্ৰ যুক্তি।

কেশৱে পুতেৰক বুজাই-বৰাই মান্তি কৰাবলৈ বহু চেষ্টা কৰিলে, কিন্তু বিদ্যাধৰে বায়ু-ধুনা দি ক'লে, "মই ধুনীয়াতকৈও ধুনীয়া ছোৱালী পালেহে বিয়া কৰাম। ধুনীয়া এজনীক নাপাওঁ যদি—জীৱন ঘুনীয়া নকৰোঁ। সেই কাৰণে—ধুনীয়া ছোৱালী বিচাৰি মই দেশভ্ৰমণলৈ ওলাম বুলি ভাবিছোঁ।"

কেশৱে খঙতে কৈ উঠিল, "তই

সুবৰ্ণ শইকীয়া

ক'ৰনো ৰাজকোঁৰৰটো যে—দেশভ্ৰমণ কৰি বিয়াৰ কইনা বাছি উলিয়াবি ? মোৰ কথা শুন, ভালে ভালে তই এইজনী ভালৰো ভাল মন্দাকিনীক বিয়া কৰা, তোৰো ভাল হ'ব, মোৰো বন্ধুৰ ওচৰত মান থাকিব।"

"মই ৰাজকোঁৰৰ নহ'লেও মনটো মোৰ ৰজাৰ দৰেই। গতিকে মোৰ 'মন-পছন্দ' চকুৰোৱা কইনা নোপোৱালৈকে মই বিয়া নকৰাওঁ।" এই কথা কৈ বিদ্যাধৰ ঘৰৰপৰা ওলাই গ'ল আৰু পাছদিনাই সি তাৰ কথা মতে ধুনীয়াৰো ধুনীয়া ছোৱালী বিচাৰি দেশভ্ৰমণলৈ ওলাল।

এই ঘটনাৰ ফলত কেশৱ-মাধৱ দুয়ো দুঃখিত হ'ল। মন্দাকিনীয়ে তাইৰ দেউতাক মাধৱক ক'লে, "বহুতো মানুহৰ দৰে বিদ্যাধৰেও সপোন সাজিব জানে, জীৱনকহে নাজানে। ঠিক আছে, মই বিদ্যাধৰক যেনে-তেনে সন্মত কৰাম। মাত্ৰ —মোকে দেশভ্ৰমণলৈ ওলাবলৈ অনুমতি দিয়ক, দেউতা !"

সাত-পাঁচ ভাবি-গুণি দেউতাকে তাইক ওলাবলৈ অনুমতি দিলে।

দেউতাকৰপৰা অনুমতি পাই, পুৰুষৰ ভেশত, মন্দাকিনী দেশ ভ্ৰমণলৈ ওলাল, আৰু গৈ গৈ গাঁও এখনত এদিন এঠাইত বিদ্যাধৰক লগ পালে।

পুৰুষবেশী মন্দাকিনীক বিদ্যাধৰে চিনি নাপালে। বিদ্যাধৰক মন্দাকিনীয়ে তাৰ দেশভ্ৰমণৰ উদ্দেশ্য সোধাত বিদ্যাধৰে তাৰ উদ্দেশ্যৰ কথা মন্দাকিনীক ক'লে।

তাৰ পাছত মন্দাকিনীক তাইৰ দেশ-ভ্ৰমণৰ উদ্দেশ্যৰ কথা সোধাত মন্দাকিনীয়ে ক'লে যে তাইৰো উদ্দেশ্য একেই, কিন্তু দৃষ্টিহে বেলেগে।

পুৰুষবেশী মন্দাকিনীয়ে ক'লে যে সি-ও বিয়াৰ কইনা বিচাৰিয়েই ওলাইছে, যদিও তাক সুন্দৰী নালাগে। কিয়নো—সৌন্দৰ্য্য হ'ল দুদিনীয়া, চৰিত্ৰ হ'ল

চিৰদিনীয়া। চৰিত ভালেই কইনা ভাল—এয়ে তাৰ বিশ্বাস।

পুৰুষবেশী মন্দাকিনীয়ে বিদ্যাধৰক আৰু ক'লে যে—তাক যদি সঁচাসঁচিকৈ কেৱল দেখাত ধুনীয়াৰো ধুনীয়া ছোৱালী লাগে, তেনেহ'লে সি যদি ওচৰৰে এখন চহৰলৈ যাবলৈ ৰাজী হয়, সেই চহৰত থকা খাজিখোৱা এখনৰ গৰাকিয়নীৰ ছোৱালীজনীক চাই আহিব পাৰেগৈ। সেইজনী যাক বোলে চালে চকু ৰৈ যোৱা বিধৰ ছোৱালী।”

নিশ্চয়—নিশ্চয় যাম।” বিদ্যাধৰে টপৰাই কৈ উঠিল।



তাৰ পাছত দুয়ো চহৰলৈ গ'ল আৰু সেই খাজিখোৱাত ঘৰ ল'লে। খাজি-খোৱাৰ মালিনীকয়ে দুয়োকো হাত-মুখ ধুবলৈ এলোটাকৈ পানী দিলে, আৰু তাৰ পাছত খোৱাবস্তু দিলে।

খাই থাকোঁতে মন্দাকিনীয়ে খাজি-খোৱাৰ মালিকনীক কথাই কথাই ক'লে, “এবছৰমানৰ আগতে মই মোৰ দেউতাৰ লগত যেতিয়া ইয়ালৈ আহিছিলোঁ, তেতিয়া—দেখাত দেৱকন্যাহেন আপোনাৰ ছোৱালীজনীক ইয়াত দেখা পাইছিলোঁ। তাইক দেখা নাই যে—? ক'ৰবালৈ গ'লনে কি?”

“এবছৰৰ আগতে যদি আহিছিলা—তাইৰ ছবিহে কিজানি দেখিছিলা তুমি। দেৱকন্যাৰ দৰে...উস্! ...”

খাজিখোৱাৰ মালিকনীয়ে খেদ প্ৰকাশ কৰিএই কথাখিনি ক'লে। তাৰ পাছত তেওঁ তেওঁৰ ছোৱালীৰ ছবি এখন ঘৰৰ ভিতৰৰপৰা লৈ আহিল।

এই ছবিখনত অপূৰ্ব সুন্দৰী ছোৱালী-জনীক দেখা পাই বিদ্যাধৰ উত্তেজিত হৈ উঠিল আৰু ক'লে, “আপোনাৰ এই ছোৱালীজনী মাতিবনে এবাৰলৈ?”

মালিকনীয়ে ছোৱালীজনীক ঘৰৰ ভিতৰৰপৰা লৈ আহিল আৰু তাইলৈ চাই

বিদ্যাধৰ উচপ খাই উঠিল। তাইৰ মুখত আৰু গাতো ক'লা ক'লা দাগ আৰু এটা চকুও নষ্ট হৈ গৈছিল তাইৰ।

খাজিখোৰাৰ মালিকনীয়ে চকুলো মচি ক'লে, "তাইৰ কিমান যে দুৰ্ভাগ্য! তাইৰ বিয়া পাতিম বুলি ভাবোঁতেই তাইক এনে ভয়ংকৰ বেমাৰে ধৰিলে! মানুহৰ জীৱনত সৌন্দৰ্য্য বা যৌৱন একোৱেই চিৰস্থায়ী নহয়, চিৰস্থায়ী হয় কেৱল চৰিত্ৰ আৰু মন।"

এই কথা শুনি বিদ্যাধৰৰ পিঠিত কোনোবাই সৌকাৰে কোবোৱা যেন লাগিল। সি দোমন-দোহস্ত হৈ পৰিল। দেৱকন্যাৰ দৰে ধুনীয়াৰো ধুনীয়া এইজনীক সি বিয়া কৰোৱাহেঁতেন এনে অৱস্থা হ'লহেঁতেন! খাজিখোৰাৰ মালিকনীৰ মৰমৰ ছোৱালীজনীয়েই তাৰ জলজল পট পট প্ৰমাণ। মন্দাকিনী ধুনীয়াৰো ধুনীয়া নহ'ব পাৰে, কিন্তু তাইৰ চৰিত্ৰও সুন্দৰ মনও সুন্দৰ সহজ-সৰল। ঘৰত মাখন—কিন্তু বাহিৰত ঘিউ বিচাৰি হাবাশাস্তি হৈছোঁ মই!

সেই কথা উপলব্ধি কৰি সি পুৰুষবেশী মন্দাকিনীক ক'লে, "আৰু কলৈকো নাযাওঁ মই. পোনে পোনেই ঘৰলৈ যাম।"

বিদ্যাধৰে ভালকৈ খোৱা-বোৱাও কৰিব নোৱাৰিলে। সি খোৱাবস্তুৰ পইচাখিনি দিলে, আৰু মন্দাকিনীক ক'লে."আমি দুয়ো বন্ধুৰদৰে হৈ পৰিলোঁ। কেইদিনমান দুয়ো দিহিঙে-দিপাঙে ঘূৰি ফুৰিলোঁ। এতিয়া মই ঘৰলৈ যাম। আৰু এনেকুৱা এজনীক বিয়া কৰাম—যিজনী দেখাত সাধাৰণ, কিন্তু মন আৰু চৰিত্ৰ অসাধাৰণ। বাৰু, মই বিদায় লৈছোঁ।"

বিদ্যাধৰে যিদিনা ঘৰ পালেগৈ. একেই দিনা মন্দাকিনীয়েও ঘৰ পাইছিলগৈ। তাই তাইৰ মাক-দেউতাকক সকলো কোৱাত তেওঁলোকে বাগৰি বাগৰি হাঁহিলে।



ভাৰতৰ পশু-পক্ষী :

গৰুড় পক্ষী

বিৰাট আকাৰৰ পক্ষীসমূহৰ মাজত গৰুড় পক্ষী প্ৰধান। দেখাত অতি গম্ভীৰ ছ ফুট বা তাতোকৈ অধিক দীঘল এই চৰাই মাংসাহাৰী। এই চৰাইৰ ঠোঁট আৰু নখ অতি দৃঢ় আৰু ইয়াৰ গতিও অতি ক্ষিপ্ৰ। গৰুড়ৰ দৃষ্টি অত্যন্ত তীক্ষ্ণ। আন কোনো চৰাই গৰুড়ৰ দৰে আকাশৰ ইমান উচ্চতালৈ উৰি যাব নোৱাৰে। ওখ পৰ্বতৰ ডাঙৰ ডাঙৰ শিলৰ আঁৰত গৰুড়ে বাহ সাজে।

গৰুড় পক্ষীক ‘পক্ষী-ৰাজ’ বুলি কোৱা হয়।

আমাৰ পুৰাণত গৰুড় পক্ষীৰ এক বিশেষ স্থান আছে। বিনতাপুত্ৰ গৰুড়ৰ নামত ‘গৰুড়-পুৰাণ’ নামৰ এখন পুৰাণ আছে, তাৰ মাতৃক দাসীবৃত্তিৰপৰা মুক্তি দিবৰ মনেৰে গৰুত্মানে ইন্দ্ৰৰপৰা অমৃত বিচাৰি যোৱাত ইন্দ্ৰই গৰুত্মানক খেদি দিছিল। তেতিয়া গৰুত্মানে ইন্দ্ৰক যুদ্ধত পৰাজিত কৰি অমৃত আনি মাতৃত দাসত্বৰপৰা মুক্ত কৰিছিল। গৰুত্মানৰ ধৈৰ্য্য আৰু সাহসত কম্পিত ইন্দ্ৰাদি দেৱতাই শ্ৰীমহাবিষ্ণুৰ কাষ চপাত শ্ৰীমহাবিষ্ণুৱে গৰুড়ক নিজৰ বাহন হিচাপে লৈছিল।

জটায়ু, সম্পাতি, সুপৰ্ণা আৰু অৰুণা প্ৰমুখ হ’ল পুৰাণ-খ্যাত গৰুড়।

দুবছৰীয়া অভিনেত্ৰী

সম্প্ৰতে 'কিলুকন্‌পেট্টি' নামৰ এখন মালয়ালম বোলছবিৰ চলচ্চিত্ৰ গ্ৰহণৰ কাম চলি আছিল। পৰিচালকে 'অ্যাক্‌শ্যন্' বুলি কোৱাৰ লগে লগেই ক্যামেৰাৰ আগত থকা পাঁচ বছৰীয়া ছোৱালী-জনীয় চকুৰপৰা চকুলো নিগৰি থাকিল। এই চকুলো গ্লিছাৰিনৰ নহয়, যি গ্লিছাৰিন বিনে অতি নামী-দামী অভিনেতা-অভিনেত্ৰীসকলেও চকুপানী টুকিব নোৱাৰে। পৰিচালকে 'কাট্' বুলি কোৱাৰ লগে লগে সেই পাঁচ বছৰীয়া অভিনেত্ৰীৰ চকুলো একেবাৰে নোহোৱা হ'ল।

এই পাঁচবছৰীয়া ছোৱালীজনীৰ নাম হ'ল শ্যামলী। যোৱা বছৰ 'অঞ্জলি' বোলছবিত অভিনয়ৰ কাৰণে শ্যামলীক 'শ্ৰেষ্ঠ শিশু-অভিনেত্ৰী'ৰ পুৰস্কাৰ দিয়া হৈছিল। শ্যামলীয়ে বৰ্তমানে একো একোখন বোলছবিত অভিনয়ৰ বাবে একলাখকৈ লয় পাৰিশ্ৰমিক হিচাপে। আয়কৰ দিয়া আটাইতকৈ কম বয়সৰ ছোৱালী এই শ্যামলীয়েই। সম্প্ৰতে তাই মালয়ালম, তেলুগু; তামিল আদি ভাষাৰ বোলছবিত কাম কৰি আছে।

পাঁচ বছৰীয়া ছোৱালী এজনীয়ে কেনেকৈনো ইমান বোলছবিত একেলগে কাম কৰিছে? এই ক্ষেত্ৰত শ্যামলীৰ পিতৃয়ে তাইক—আগতীয়াকৈ জানি লৈ—ঘৰতে শিকাই-বুজাই ষ্টুডিঅ'লৈ লৈ গৈছে, আনকি সংলাপো কেনেকৈ ক'ব লাগিব তাকো অতি সুন্দৰকৈ শিকাই লৈ গৈছে আৰু তাৰ ফলত শ্যামলীৰ তথা প্ৰতিখন বোলছবিৰ পৰিচালকৰ কামও সহজ হৈছে।

শ্যুটিঙৰ সময়ৰ শ্যামলীৰ দেউতাক তাইৰ লগে লগে থাকে, আৰু তাইৰ সৰ্বৰকমৰ চাহিদাৰ যোগান ধৰে। কেতিয়াবা তাই কিবা কথাত আওখটি কৰিলে, জেউৰ ধৰিলে তেওঁ লজেঞ্চুচ টফি আদি আনি তাইক শান্ত কৰে।

মাহেকত বিছদিন তাই শ্যুটিঙত ব্যস্ত হৈ থাকে, আৰু দহ দিন স্কুললৈ যায়। ঘৰত থকা তাইৰ ককায়েক ৰিচাৰ্ড আৰু বায়েক শালনীয়ে সিঁহতৰ দহ বছৰ বয়সলৈকে বোলছবিত কাম কৰিছিল। শ্যামলীয়ে তাইৰ ককায়েক-বায়েকৰ লগত খেলি আৰু স্কুললৈ যাবলৈহে ভাল পায়।

আমি জানোনে ?

১. 'স্বৰ্গৰ দ'ল' ক'ত আছে ?

২. পৃথিবীৰ সৰাতোপ্ৰাচীন চিৰিয়াখানা ক'ত অৱস্থিত ?

৩. ১৪৫২ চনত এগৰাকী চিত্ৰকাৰ সংগীতবিদ গণিতবিদ তথা আৱিষ্কাৰক ইতালি দেশত জন্ম লৈছিল। তেওঁৰ নাম ?

৪. সৰ্বপ্ৰথম 'শব্দ-অভিধান' কোনে কেতিয়া উলিয়াইছিল ?

৫. এজনী বালিকাৰপৰা পত্ৰ পাইহে আমেৰিকাৰ ভূতপূৰ্ব প্ৰেজিডেণ্ট আব্ৰাহাম লিন্‌কনে দাড়ি বঢ়াইছিল বুলি কোৱা হয়। সেইজনী কোন ?

৬. পোন প্ৰথমে কোন ঠাইত অ'লিম্পিয়াড আয়োজিত হৈছিল ? আধুনিক অ'লিম্পিকৰ আয়োজন সৰ্বপ্ৰথমে ক'ত কৰা হৈছিল ?

৭. 'কাৰাটে' শব্দৰ অৰ্থ কি ?

৮. গ্ৰিক অভিযাত্ৰী মেগাস্থিনিছে কোনগৰাকী ভাৰতীয় ৰজাৰ দৰবাৰ দৰ্শন কৰিছিল ?

৯. গান্ধীজি যে কাক তেওঁৰ 'ৰাজনীতিৰ গুৰু' বুলি মানিছিল ?

১০. ইউলিউছ কায়েছাৰ বা জুলিয়ছ ছিজাৰৰ নামেৰে 'জুলাই' মাহৰ নামকৰণ কৰা হৈছিল। তেওঁৰ ভতিজাকৰ নামত কোন মাহৰ নামকৰণ কৰা হৈছিল ?

১১. আকবৰৰ অৰ্থমন্ত্ৰী কোন আছিল ?

১২. কোনে 'ৰঘুবংশ' ৰচনা কৰিছিল ?

১৩. গণেশৰ বাহন এন্দুৰক ভোজন কৰোৱা মন্দিৰ ক'ত আছে ?

১৪. নাপলেয় ব'নাপাৰ্তক পোন প্ৰথমে কোনখন দ্বীপত নিৰ্বাসিত কৰা হৈছিল ?

১৫. গৰুড় তথা সাপৰ চিত্ৰ কোনখন দেশৰ ৰাষ্ট্ৰীয় পতাকাত আছে ?

উত্তৰ

১. বেজিং, চীনদেশত।

২. ভিয়েনাত, অষ্ট্ৰিয়াস্থিত স্কানবুনত, ১৭৫২ চনত স্থাপিত।

৩. লিঅ'নাৰদো-দা-ভিঞ্চি।

৪. 'স্কাৰ্ক ওৱৰ্ল্ড'. ২১ ডিচেম্বৰ ১৯১৩'ৰ সংখ্যাত। আৰ্থাৰ বিন্-এ উলিয়াইছিল।

৫. গ্ৰেছ বেডেল।

৬. গ্ৰিছ দেশৰ অ'লিম্পিয়াত, ৭৭৬ চনত। আধুনিক অ'লিম্পিক ১৮৯৬ চনত গ্ৰিছ দেশৰ আথেন্সত আয়োজিত হৈছিল।

৭. 'খালী হাত'।

৮. চন্দ্ৰগুপ্ত মৌৰ্য্য।

৯. গোপালকৃষ্ণ গোখলে।

১০. অগাস্ট — অগাস্টাছ ছিজাৰৰ (কায়েছাৰৰ) নামত।

১১. টোডৰমল।

১২. কালিদাস।

১৩. কৰ্ণিমাতা।

১৪. এলবা।

১৫. মেক্সিকো।

২ মাইল দীঘল চিঠি !

দীঘলীয়া চিঠি লিখাৰ অভ্যাস কিছুমান মানুহৰ আছে। কিন্তু এই ক্ষেত্ৰত নেপালৰ বিছ বছৰীয়া ৰাজেন্দ্ৰ চন্দ্ৰ ঠাকুৰী নামৰ যুৱকজনে তেওঁ ভাৰতীয় বন্ধুজনলৈ যিখন চিঠি লিখিলে—তাৰ পৃষ্ঠাসংখ্যা হ'ল ১০৩১৫ আৰু ওজন হ'ল ৪২ কিল'গ্ৰাম। এইখন চিঠি ইখনৰ সৈতে সিখন পৃষ্ঠা লগাই ল'লে দীঘলে প্ৰায় ২ মাইল হ'ব। নতুন বছৰত চিঠিখন পাই, জানুৱাৰিত পঢ়িবলৈ আৰম্ভ কৰি ফেব্ৰুৱাৰি মাহতো হেনো পাওঁতাই পঢ়ি শেষ কৰিব পৰা নাই !

সম্বাদ-বি-সম্বাদ

জীৱন-যুদ্ধ কাক বোলে !

অষ্ট্ৰেলিয়াৰ উত্তৰ-দিশত থকা এক নিমাওমাও ঠাইত নৈৰ পাৰত কিছুমান গৰখীয়াই হঠাৎ যোৱা ১৬ জানুৱাৰিৰ দিনা ৩৫ জন চীনা মানুহক দেখা পাই হতবাক হৈ পৰিল! এই চীনদেশীয় মানুহখিনি এখন নাৱেৰে আহি থাকোঁতে মাজনৈত নাওখন বুৰিল, আৰু তাৰ পাছত বহু কষ্টেৰে পাৰত উঠিল। তাৰ পাছতো সিঁহতৰ যাত্ৰা চলি থাকিল। নিৰল-নিৰ্জন অটব্য অৰণ্যৰ মাজেদি ২০০ কিল'মিটাৰ লুংলুঙীয়া বাটেদি গৈ থাকিল। ভোক-পিয়াহত আতুৰ হৈও সিঁহত হতাশ নহ'ল। প্ৰথমে সিঁহতে নৈৰপৰা এটা মস্ত ৰাঘবৰালি মাৰি খাইছিল। পাছত — ভোকাতুৰ অৱস্থাত অৰণ্যৰ বিধেবিধ জন্তু, কেটেলা পহু, মস্ত মস্ত সাপ, মাছ, কীট-পতংগ, বনৰিয়া গাহৰিও ধৰি-মাৰি খাই খাই প্ৰতিকূল পৰিবেশৰ সৈতে যুদ্ধ কৰি কৰি সিঁহতৰ লক্ষ্যস্থল পাইছিলগৈ !

শুনাৰ লাভ

ৰজা বিক্ৰমসেনৰ মহামন্ত্ৰীৰ নাম আছিল চতুৰ। ৰজাই তেওঁৰ ৰাজকাৰ্য্যত মহামন্ত্ৰী চতুৰৰ দিহা-পৰামৰ্শ সদায় মানি লৈছিল। সেই কাৰণে—চতুৰে বিচাৰৰ বাবে আন দহজন মন্ত্ৰীকো নিযুক্ত কৰিছিল আৰু তেওঁলোকৰ সৰ্বসম্মত ৰায় গ্ৰহণ কৰিছিল।

সেই মন্ত্ৰী দহজনৰ মাজত মাজত শচীন্দ্ৰ নামৰ এজন মন্ত্ৰী আছিল একা-চোকা ধৰণৰ। সকলোটিয়ে যি কথাত 'হয়' বুলি কয়, শচীন্দ্ৰই সদায় কয় 'নহয়'। শচীন্দ্ৰই তেওঁৰ 'নহয়'ৰ ব্যাখ্যাও দাঙি ধৰিছিল, যদিও কেৱল শচীন্দ্ৰৰ মত নানি সৰ্বসম্মত সিদ্ধান্তৰ পৰিবৰ্তন কৰা নহৈছিল। তথাপি মহামন্ত্ৰী চতুৰে শচীন্দ্ৰহেন 'বিৰোধী' মন্ত্ৰীৰ যথেষ্ট প্ৰয়োজনীয়তাক স্বীকাৰ কৰিছিল বিচাৰৰ ক্ষেত্ৰত; কিন্তু অন্যান্য মন্ত্ৰীৰ পক্ষে শচীন্দ্ৰ অসহ্য হৈ উঠিছিল।

শচীন্দ্ৰই অন্যান্য মন্ত্ৰীক কৈছিল, "তোমালোকে একেলগে হোৰা দিয়া বুলিয়ে মোৰ কথা মহাৰাজায়ো নুশুনে-নগণে। কিন্তু তাৰ ফলত দিনক দিনে দেশৰ ভৱিষৎ অন্ধকাৰ হৈছে।"

শচীন্দ্ৰই মহাৰাজকো এই কথা কৈছিল।

তেতিয়া ৰজাই শচীন্দ্ৰক কৈছিল, "মই আমাৰ মহামন্ত্ৰীৰ দিহা-পৰামৰ্শত সম্পূৰ্ণ আস্থাৱান। মহামন্ত্ৰীয়ে অধিকসংখ্যক মন্ত্ৰীৰ সিদ্ধান্তকে মানি লয়। তোমাৰ মতামত যদি অধিকসংখ্যকে মানি নলয়, মহামন্ত্ৰীয়ে কি কৰিব?"

এদিন মহাৰজাই সকলো মন্ত্ৰীক মতাই অনাই শচীন্দ্ৰৰ অভিযোগৰ কথা তেওঁলোকৰ আগত দাঙি ধৰিলে আৰু

শাৰদা আগৰৱালা

ক'লে, "শচীন্দ্ৰৰ দৰেই তোমালোকেও হয়তো কেতিয়াবা অভিযোগ কৰিবা। মনত ৰাখিবা—অধিকসংখ্যকৰপৰা 'হয়' নাপালে তোমালোকৰো গৌৰৱ নাথাকে।"

মহাৰাজ গুচি যোৱাৰ পাছত সকলো মন্ত্ৰীয়ে শচীন্দ্ৰলৈ উপেক্ষাৰ দৃষ্টিৰে চাই ক'লে, "সকলোটি সম্মতি-সমৰ্থন পোৱাবিধৰ বিচাৰ শিকি ল'লেই তোমাৰ বিচাৰৰো মূল্য পাই যাবা—এই কথা মহাৰজায়েই কৈ গ'ল।"

এই কথাত শচীন্দ্ৰৰ খং উঠিল। শচীন্দ্ৰই ক'লে, "তোমালোকে কেৱল চাই থাকা, এদিন-নহয়-এদিন—মোৰ মতামত তথা বিচাৰ তোমালোকেও মানি ল'ব লাগিবই। এই কাম কৰিহে মই এৰিম।"

কিছু দিনৰ পাছত মহাৰাজ বিক্ৰমসেন চিকাৰলৈ ওলাল আৰু চিকাৰৰপৰা ভালে-কুশলে উভতিও আহিল।

শচীন্দ্ৰই অন্য মন্ত্ৰীসকলক মতাই অনাই ক'লে, "আমাৰ মহাৰাজ চিকাৰলৈ ওলাইছিল আৰু বৰ দক্ষতাৰে তথা সাহসৰে চিকাৰ সমাপ্ত কৰা উভতি আহিল এই বাবে মহাৰাজক আমি বিশেষভাবে অভিনন্দিত কৰা আৱশ্যক।"

এনেকুৱা প্ৰস্তাৱ অন্যান্য মন্ত্ৰীয়ে মানি ল'বলৈ টান পালে। তেওঁলোকে ক'লে, "আমাৰ মহাৰাজৰ কাৰণে এয়া অতি সামান্য আৰু সাধাৰণ কথা। তেওঁ যদি কোনো ধৰণৰ মহৎ কাব্য লিখিলেহেঁতেন, বা যুদ্ধত অপূৰ্ব বীৰতা প্ৰদৰ্শন কৰিলে-হেঁতেন, বা কোনোবা মহৎ কাৰ্যলৈ ওলালেহেঁতেন—অভিনন্দন জ্ঞাপন কৰিব পৰা গ'লহেঁতেন। ইমান সৰু কথাত গকৰ দৰে এই কাম অৰ্থহীন হ'ব, মহাৰাজৰো খং উঠিব, আৰু আমাক ভৰি-চেলেকা চাটুৰা বুলিহে ভাবিব।"

কিন্তু মহামন্ত্ৰী চতুৰে ক'লে "শচীন্দ্ৰৰ প্ৰস্তাৱ সময়োচিত আৰু সঠিক। আমি মহাৰাজলৈ অভিনন্দন জ্ঞাপন কৰিম।"

এই কথাত অন্যান্য মন্ত্ৰীক দ্বিধান্বিত হোৱা দেখি মহামন্ত্ৰী চতুৰে ক'লে, "মহাৰাজ চিকাৰলৈ ওলাল বা উভতি আহিল এই কথাত অভিনন্দন জনোৱাটো যে অৰ্থহীন—সেই কথাত ময়ো আপোনালোকৰ সৈতে একমত। কিন্তু কথা হ'ল যে —শচীন্দ্ৰৰ চুকলিখোৱাৰ অভ্যাস আছে। আমি 'নহয়' বুলি ক'লেই তেওঁ মহাৰাজক ক'বগৈ কথাটো. মহাৰাজে আমাকেই বেয়া পাব. আমি তেওঁলৈ উপেক্ষা প্ৰদৰ্শন কৰা বুলি ভাবিব। আপোনালোকৰ মাজত কেনোবাই কোনো কথাৰ ন্যায্যতা বা যোগ্যতাৰ উপৰিও—সেই কথা নামানিলে তাৰ পৰিণাম কি হ'ব—ভাবিব লাগে।"

কিন্তু তথাপি অন্যান্য মন্ত্ৰীয়ে ভাল নাপাই ক'লে, "কিয়— ? অনুচিত বুলি জানিও কিয় সমৰ্থন কৰিব লাগিব? শচীন্দ্ৰহেন বিৰোধী এজনক আপুনি মন্ত্ৰীমণ্ডলৰপৰা বাদ দিব নোৱাৰেনে ?"

মহামন্ত্ৰী চতুৰে ক'লে, "কেতিয়াবা কেতিয়াবা শচীন্দ্ৰহেন মানুহৰ দ্বাৰাও যথেষ্ট লাভেই হয়। শচীন্দ্ৰই কিমান যে বুদ্ধি কৰি এই প্ৰস্তাৱটো উত্থাপন কৰিলে —তাকো ভাবি চাওক। এনেবোৰ প্ৰস্তাৱত 'নহয়' বুলি কোৱাৰ কোনো উপায়েই নাই। শচীন্দ্ৰৰ এই সাৱধানী বুদ্ধিমত্তাক আমি কেতিয়াবা আমাৰ কামতো লগাব নোৱাৰিমনে ? পাৰিম। আৰু—যদি শচীন্দ্ৰৰ কোনো প্ৰস্তাৱ আমাৰ অপছন্দ হয়—আমাৰ সংখ্যাধিক্যৰ অস্ত্ৰ তো আছেই। গতিকে—শচীন্দ্ৰহেন আঁকোৰগোজ এটামান থকাত লোকচান কি ? জানিব—আনৰ কথা শুনাত কোনো লোকচান নাই, লাভেই আছে।"

মহামন্ত্ৰী চতুৰৰ যুক্তিপূৰ্ণ কথাত অন্যান্য মন্ত্ৰীয়ে ভাল পালে আৰু চতুৰৰ চতুৰ বুদ্ধিমত্তাৰ শলাগ ল'লে।

কথা-বেচা-দোকান

এদিন চুবুৰীয়া গাঁৱৰ হাটলৈ গৈ সুৰেনে হাটত এখন নতুনকৈ পতা ছাতিৰ দোকান দেখা পালে। সুৰেনে অলপ আঁতৰত থিয় হৈ বীৰেনৰ দোকানদাৰিৰ কায়দা-কিটিপলৈ লক্ষ্য কৰি আছিল।

ঠিক তেতিয়াই ছাতি কিনিবলৈ খীণ-মিন কাঁইঠীয়াবিধৰ মানুহ এজন আহিল। বীৰেনে মানুহজনক ছাতি এটা দেখুৱালে আৰু ক'লে, "চাওক, আপুনি হ'ল বেছ সুন্দৰ স্বাস্থ্যৰ মানুহ, শকত-আৱতো নহয়, হাড়ে-ছালে লগা জেওৰাও নহয়। সুন্দৰ শৰীৰ আপোনাৰ। আপুনি এই ছাতিটো হাতত লৈ একেৰাহে পাঁচ-ছ ক্ৰোশ গৈ থাকিলেও ছাতিটোৰ ওজন বোলা একো গমেই নাপাব। ছাতি এটা—আন যিয়েই নহওক—ভালুকৰ সাৱীহেন হ'ব নালাগে।"

খীণ-মিন মানুহজনে ছাতিটো কিনি লৈ গুমাই গুচি গ'ল।

তাৰ পাছত দোকানলৈ আহিল এজন ওখ-পাখ শকত আৱত মকাবিধৰ মানুহ। মানুহজনে ভাল চাই ছাতি এটা দিবলৈ কোৱাত বীৰেনে মানুহজনক ছাতি এটা দিলে আৰু ক'লে, "আপুনি হ'ল প্ৰকৃত সুন্দৰদেহী স্বাস্থ্যৱান মানুহ। ছাতিটো যদি ঠুনুকাবিধৰ হয়, নিটিকিব। গতিকে আপোনাক লাগিব এনে ওজনদাৰ আৰু প্ৰকৃততেই ভাল ছাতি।"

মানুহজনে ছাতিটো মেলি পৰীক্ষা কৰি থকা দেখি বীৰেনে পুনৰ ক'লে, "আন বস্তু লাগিলে যেনেকুৱাই নহওক, ছাতি কিন্তু দেহা চাইহে লাগিব। এই ছাতিটো কি সঁতা ধৰা বৰষুণত কি ধুমুহাত

গৌতম মেধি

—অলপো ইফাল-সিফাল নহ'ব।"

শুনি মকা মানুহজনে ভাল পালে আৰু ছাতিটো কিনি লৈ খোজ ল'লে।

এইবোৰ সুৰেনক দেখা পাই বীৰেনে কৈ উঠিল, "আৰে! তুমি! কেতিয়া আহিলা? ভালনে?"

সুৰেনে ক'লে, "ওঁ, ভালেই। তোমাৰ দোকানদাৰিৰ কায়দা-কিটিপ অলপ আঁতৰত থিয় হৈ চাই আছিলোঁ। তুমিযে কিমান দক্ষতাৰে 'যাক যেনেকুৱা লাগে' ছাতি বেচিছা—চাই অবাকেই মানিছোঁ মই। যি কি নহওক—মই কিন্তু খীণ-মিনো নহওঁ, শকত-আৱতো নহওঁ। মোকনো কেনেকুৱা ছাতি দিবা?"

বীৰেনে মুচুককৈ হাঁহি মাৰি ক'লে, "তোমাৰ কাৰণে ভালৰো ভাল ছাতি দিব পাৰিম। বাৰিষা আহিলেই বুলিব পাৰি, ছাতি লাগিবই, নহ'লে পানীত তিতি-বুৰি শৰীল-স্বাস্থ্য বেয়া হ'ব। গতিকে—চাই-মেলি ছাতি এটা লৈয়েই যোৱা।"

বীৰেনে চাই-চিঁতি ছাতি এটা দেখুৱাই সুৰেনক ক'লে, "এই ছাতিটোৱেই তোমাৰ পক্ষে সঠিক জাতিৰ ছাতি।"

সুৰেনে ছাতিটো ভালকৈ পৰীক্ষা কৰাৰ অন্তত ক'লে, "ছাতিটোৰ জাতি—হওঁতে বৰ ভাল নহয় যেনহে পাইছোঁ।"

বীৰেনে কৈ উঠিল, "নহয় নহয়—তেনেকৈ নক'বা। বৰং—এই ছাতি হাতত



লৈ গৈ থাকিলে তোমাকেই গাঁৱৰ জমিদাৰ যেন লাগিব। আৰু—এই ছাতিটো লৈ যদি ঘোঁৰাত উঠি গৈ থাকা — তোমাক নিৰ্ঘাত ৰজাৰ দৰে বোধ হ'ব। তুমি অৱশ্যে এই কথা কেতিয়াও ভবাই নাই।"

সুৰেনে ছাতিটো মেলি ধৰি ক'লে, "তোমাৰ কথা বিশ্বাস কৰিব পৰা নাই।"

"সঁচেকাটে সঁচাকে কৈছোঁ সুৰেনবাবু! ছাতিটো হাতত লৈ এই যে আপুনি ইয়াত থিয় হৈ আছে—আপোনাৰ ধৰণ-ধাৰণ কহন-ৰহন সকলো বদলি গৈছে দেখোন!"

সুৰেনে আচৰিত হৈ বীৰেনক সুধিলে, "কথানো কি হে বীৰেন? সৌ সিদিনা-লৈকে মোক তুমি 'তুমি' বুলি কৈছিলা, এতিয়া 'আপুনি' বুলি কৈছা কিয়হে? মোৰ এই হঠাৎ-গৌৰৱ কিহৰ কাৰণে?"

"এই ছাতিৰ কাৰণে। এই ছাতিটোৰ তলত থিয় হৈ থকা কাৰোবাক মই তুমি-তামা কৰিব নোৱাৰোঁ।" বীৰেনে ক'লে।

সুৰেনে ক'লে, "ঠিক আছে—কিনি ল'লোঁ ছাতিটো।" এই বুলি কৈ, ছাতিটোৰ দাম শোধাই দিয়াৰ অন্তত সুৰেনে পুনৰ বীৰেনক ক'লে, "শুনা, ল'লোঁ যি ল'লোঁৱেই। কথা এটা সোধোঁ। সঁচা উত্তৰ দিবা। —সঁচাকৈয়েই— ওখ চাপৰ বাওনা খীণ মকা আদিৰ কাৰণে বেলেগ বেলেগৰ ছাতি তোমাৰ ওচৰত থাকেনে?"

বীৰেনে হাঁহি মাৰি ক'লে, "নাথাকে। ছাতিৰনো কি খীণ-মকা ওখ-বাওনা? কথা-হ'ল—ছাতি বেচিবলৈ হ'লে কথাহে আগতে বেচিব লাগে। নহ'লে কোনেও মোৰ দোকানৰপৰা ছাতি নল'বও পাৰে। আগতে কথা পাছত ছাতি. তেহে গাহাক হ'ব কাতি। বুজিছ নে নহয়?"

"তেনেহ'লে এইখন ছাতিবেচা দোকানেই নহয়, কথা-বেচা দোকানও হয়!" এই বুলি কৈ হাঁহি হাঁহি সুৰেন গুচি গ'ল। ছাতিটো লৈয়েই।

ভগৱান আৰু ভূত

এনিশা জিতুক স্বয়ং ভগৱানে সপোনত দেখা দিলে আৰু ক'লে, "হে মোৰ একনিষ্ঠ ভক্ত! তোমাৰ ভক্তিৰে মই তুষ্ট। তোমাক কি লাগে তুৰন্তে কোৱা।"

তেতিয়া জিতুৱে ভগৱানক ক'লে, "ভগৱান! আমাৰ ঘৰটোৰ ঠিক বিপৰীত ফালে মিতুহঁতৰ ঘৰ। মিতু হ'ল নাস্তিক। তাৰ প্ৰণত তোমালৈ ভক্তিভাব জগোৱা, হে ভগৱান! বিপৰীত ফালৰ ঘৰতে নাস্তিক এটাক সদায় দেখি থাকাটো বৰাদুখ লগা।"

"ঠিক আছে, ৰাতি পুৱাৰেপৰাই তুমিয়েই বিছুমান অলৌকিক কাৰ্য্য কৰি মিতুৰ মনত ভকতি জগাব পাৰিবা। তোমক মই বাক্‌সিদ্ধ কৰি দিলোঁ, যি ক'বা সেয়ে হ'ব।" ভগৱানে ক'লে।

ৰাতি পুৱাল। জিতুৰ মনত পৰিল সাপোনৰ কথা। জিতুৱে মিতুক মাতিলে আৰু ক'লে, "মিতু, আজিৰপৰা তুমি ভগৱানৰ পূজা কৰি থাকিলে তোমাৰ ভাল হ'ব, নহ'লে তোমাৰ ঢেৰ অনিষ্ট হ'ব। তুমি যদি মোৰ কথা নামানা, তেনেহ'লে মই এতিয়াই তোমালোকৰ বাৰীত থকা নাৰিকলকেইজোপা ভস্ম কৰি পেলাম।"

"ঠিক আছে, দেখা যাব। কিন্তু কোনো ভগৱান-টগৱানৰ পূজা—মোৰ-দ্বাৰাই নহ'ব।" মিতুৱে মকমকালে।

তিমানতে সিহঁতৰ বাৰীৰ নাৰিকল কেইজোপা ভস্ম হ'ল যে—সেই খবৰ মিতুৰ পৰিবাৰেই মিতুক ক'লেহি।

লগে লগে মিতু দৌৰি গ'ল গাঁৱৰ উত্তৰ তেঁতেলীজোপাৰ তলতে। মিতুৱে

মানস মহন্ত

তেঁতেলীৰ তলত থিয় হৈ চিঞৰি চিঞৰি কৈ থাকিল, "হে তেঁতেলীৰ ভূতৰ ৰজা! তুমি বহুবাৰ মোক সহায় কৰিব খুজিছিলা, কিন্তু মই তোমাৰপৰা সহায় লোৱা নাছিলোঁ। এতিয়া মোক সহায় লাগে।"

ভূতৰ ৰজাই গম্ভীৰ কণ্ঠেৰে ক'লে "কিন্তু মই কেৱল অপকাৰহে কৰিব পাৰোঁ। উপকাৰ কৰাৰ ক্ষমতা মোৰ নাই।"

তেতিয়া মিতুৱে জিতুৰ কাণ্ড-কাৰ্যনাৰ কথা ভূতৰ ৰজাক বিবৰি ক'লে।

শুনি ভূতৰ ৰজাই মিতুক ক'লে, "যোৱা, ঘৰলৈ যোৱা, আৰু চোৱাগৈ জিতুৰ কি দশা হ'ল।"

মিতু উৰ্ধশ্বাসে ঘৰলৈ আহিল। আহি চালে যে ভূতৰ ৰজাৰ কথা সঁচা, জিতুহঁতৰ ঘৰটো ভাগি চূৰমাৰ হ'ল।

কিন্তু জিতুও এৰাবিধৰ ভকত নহয়। বাক্‌সিদ্ধ জিতুৱে মিতুৰ চকুৰ আগত সিহঁতৰ ঘৰটো ফু মাৰি বগৰাই পেলালে।

তাৰ পাছত—গধূলি পৰতে জিতুৱে মিতুক ক'লে, মোক দাঁতভঙা শিকনি দিবলৈ ভূতৰ সহায় ল'লি। তোক গাঁৱৰপৰা খেদিহে এৰিম অ' ছলি।"

তেতিয়া মিতুৱে ক'লে, "আমি দুয়ো দুই শক্তিৰপৰা যে সহায় ল'লোঁ—সেই দুয়োটা শক্তিয়েই বাৰু একেই নহয়নে? তোমাৰ হতুৱাই ভগৱানেও দেখোন মোৰ অনিষ্টহে কৰিলে! তেনেহ'লেনো ভূততকৈ ভগৱান ভাল হ'ল কি গুণে?"

এই কথা শুনি জিতুৰ চকু কপালত উঠিল। জিতুৱে ক'লে, "একদম সঁচা কথা কৈছা। তুমি নাস্তিক হৈও কাৰো অনিষ্ট কৰা নাছিলা; আৰু মই—নাস্তিক হোৱা সত্বেও, ভগৱানত বিশ্বাসী হোৱা সত্বেও অকাৰণে তোমাৰ অনিষ্ট কৰি তোমাৰ খং তোলাই ল'লোঁ!"

পাছত ভগৱানে জিতুৰ, আৰু ভূতৰ ৰজাই মিতুৰ ক্ষতিপূৰণ কৰি দিছিল।



অশোকবনত থকা সীতাক চাবলৈ ৰাৱণ যেতিয়া তালৈ আহিল, তেতিয়া ভয়ংকৰ ভয়ংকৰ ৰাক্ষসী-পৰিবৃতা হৈ সীতাদেৱী-অধোমুখে তাও শোকস্তব্ধ হৈ বহি আছিল।

ৰাৱণে কিবা আনন্দজনক বাৰ্তা কঢ়িয়াই অনাৰ দৰে কৈ থাকিল :

"তোমাৰ ৰামৰ খেল খতম্ হ'ল। যুদ্ধ কৰিবলৈ চখ হৈছিল, সেই চখতে সি মৰি ভূত হৈ গ'ল। এতিয়া আৰু মোৰ পত্নী হোৱাত তোমাৰ আগত কোনো বাধা নাথাকিল। মোৰ আঠাইকেজনী পত্নীৰ মাজত তোমাকেই পাতিম মই সৰ্বশ্ৰেষ্ঠা পত্নী, মহতোমহীয়ান মহাৰাণী। ৰাম কেনেকৈ মৰিল, সেই কথা তোমাক ক'ম। বেওকুফ বান্দৰমখাক লগত লৈ আমাৰ বিৰুদ্ধে যুঁজিবলৈ ওলোৱাৰ লগে লগেই আমাৰ বীৰ প্ৰহস্তই ৰাক্ষসসেনাৰ সহায়ত বান্দৰবিলাকক কচুকটা দিলে। তাৰ পাছত—তাৰপৰা পলাই গৈ ৰাম যেতিয়া নিদ্ৰাত আচ্ছন্ন হৈ আছিল, তেতিয়া প্ৰহস্তয়েই নিদ্ৰিত ৰামৰ মূণ্ডটো এঘাপতে ঘচং কৰিপেলালে "

এইখিনিলৈকে কোৱাৰ অন্তত ৰাৱণে ৰাক্ষসী এজনীক ক'লে, "ৰামৰ মুণ্ডটো লৈ বিদ্যুৎজিহ্বক আহিবলৈ কোৱাগৈ !"

মুহূৰ্ততে ৰামচন্দ্ৰৰ খণ্ডিত মস্তক আৰু ধনুৰে সৈতে বিদ্যুৎজিহ্ব তালৈ আহিল আৰু ৰাৱণৰ ইংগিতত ৰামচন্দ্ৰৰ খণ্ডিত



মস্তক সীতাদেৱীৰ সমুখত থৈ দিলে। পাছ মুহূৰ্ততে বিদ্যুৎজিহ্ব ক্ষিপ্র গতিৰে তাৰপৰা গুচি গ'ল।

সীতাদেৱীয়ে ৰামচন্দ্ৰৰ মস্তক গভীৰভাৱে পৰীক্ষা কৰি চালে। চকু, চুলি আৰু মস্তকোপৰি থকা চূড়ামণি আদি চাই সীতাদেৱী হুৰাওৰাওকৈ কান্দি উঠিল। সীতাদেৱীয়ে কান্দি কান্দি ৰাৱণক ক'লে, "মোক মোৰ পতি ৰামচন্দ্ৰৰ মৃতদেহৰ সৈতে একেই চিতাত দাহ কৰিবলৈ অনুৰোধ জনাইছোঁ। এই কামটি কৰিলে তাৰ কিছু পুণ্যফল আপুনিও পাব। মই পতিসহগামিনী হৈ প্রকৃত সতীৰ মৃত্যু বৰণ কৰিবলৈ বিচাৰোঁ।"

এই কথা কৈ সীতাই নিজৰাৰ ধাৰেৰে কান্দি আছিল। তেতিয়া এজন ৰাক্ষস তালৈ আহিল আৰু ৰাৱণ কাণে কাণে কিবা কোৱাত ৰাৱণে তৎক্ষণাৎ প্রস্থান কৰিলে, আৰু লগে লগে ভোজবাজীৰ দৰে ৰামচন্দ্ৰৰ খণ্ডিত মস্তক আৰু ধনুও তাৰপৰা অদৃশ্য হ'ল।

হঠাৎ—ঠিক তেতিয়াই বিভীষণ-পত্নী সৰমা তালৈ আহিল। সৰমা আছিল সীতাদেৱীৰ সহমৰ্মী সুন্দৰ স্বভাৱৰ তিৰোতা। সৰমাই সীতাক সান্ত্বনা প্রদান কৰি ক'লে, "ৰাৱণৰ ভয়ত আঁৰত থাকি মই সকলো কথা শুনি লৈঁা। ৰাৱণ হঠাৎ এনেকৈ কিয় গুচি গ'ল জানানে? ভেৰীৰ তুৰ্য্যনাদ শুনিছানে? তুৰ্য্যনাদ শুনি কিবা অনুমান কৰিব পাৰিছানে? তুৰ্য্যনাদেৰে সৈন্যদলক সম্বাদ দিয়া হৈছে, যুদ্ধলৈ সাজু হ'বলৈ কোৱা হৈছে। তাৰ অৰ্থ হ'ল—শ্রীৰামচন্দ্ৰৰ লংকা-আক্রমণ প্রতিহত কৰিবলৈ ৰাৱণৰজাই প্রস্তুতি লৈছে। ৰামচন্দ্ৰ আৰু লক্ষ্মণে লংকা তথা ৰাক্ষসকুল ধ্বংস কৰি তোমাৰ কুলাই-পাচিয়ে নধৰা দুঃখ-দহন অনতিপলমে দূৰ কৰিব। মই আকাশমাৰ্গেৰে শ্রীৰামচন্দ্ৰৰ ওচৰলৈ গৈ তোমাৰ কুশলবাৰ্তা দিব

খুজিছোঁ। মই আকাশপথেদি আনকি গৰুড়তকৈও তীব্ৰ গতিৰে যে যাব পাৰোঁ। তুমি বিশ্বাস কৰিবানে ?"

সীতাদেৱীয়ে ক'লে, "তোমাৰ সকলো কথা মই বিশ্বাস কৰোঁ। তুমি অনুগ্ৰহ কৰি মোক কোৱা—ৰাৱণে কেনেকৈ কি কৰিছে, আৰু দুষ্টমতি ৰাৱণক কোনে কি কেনেকৈ কৈছে—।"

সৰমাই সীতাদেৱীৰ চকুপানী মচি তেওঁক সান্ত্বনা প্ৰদান কৰিলে আৰু ক'লে :

"মহাৰাজ ৰাৱণক তেওঁৰ মাতৃয়ে,- আৰু অবিদ্ধ নামৰ বৃদ্ধ মন্ত্ৰীয়ে তোমাক ৰামচন্দ্ৰৰ হাতত সমৰ্পণ কৰিবলৈ পৰামৰ্শ দিছিল। তেওঁলোকে ৰাৱণৰজাক বুজাই-ৰৰাই এই কাৰ্য্যত সন্মত কৰাবলৈ বহু চেষ্টা কৰিছিল। কিন্তু ৰাৱণে তেওঁলোকৰ কোনো কথা শুনিলে। যুদ্ধত মৃত্যু নোহোৱালৈকে ৰাৱণে কাৰো কথালৈ কৰ্ণপাত নকৰিব, তোমাক প্ৰত্যৰ্পণ নকৰিব। ৰাৱণৰ মন্ত্ৰীবৰ্গয়ো ৰাৱণৰ এনে কুকাৰ্য্যলৈ সমৰ্থন জনাইছে।"

হঠাৎ বহুদূৰৰপৰা সাগৰ গৰ্জনৰ দৰে বানৰসৈন্যৰ কোলাহল ভাহি আহিল। শ্ৰীৰামচন্দ্ৰই যে লংকা আক্ৰমণ কৰিবলৈ আগবাঢ়িল, সেই কথাত সীতাৰ মনতো সন্দেহ আৰু নাথাকিল!

বানৰসেনাৰ কোলাহল শুনি ৰাৱণে তেওঁৰ মন্ত্ৰিবৰ্গক সম্বোধি ক'লে, "তোমালোকে ইয়াৰ আগতে হনুমানৰ আগমন, বানৰসেনাৰ সাগৰ-অতিক্ৰম ইত্যাদি সম্পৰ্কে শুনিছিলা, ময়ো শুনিছিলোঁ। এতিয়া ৰামৰ পৰাক্ৰমৰ কথা ভাবি কিয় যে তোমালোক শংকিত হৈ পৰিছা—তাকেহে ভাবি পোৱা নাই।"

এই কথা শুনি মাল্যৱন্ত নামৰ বীৰ ৰাক্ষস এগৰাকীয়ে মহাৰাজ ৰাৱণক ক'লে, "হে ৰাজশ্ৰেষ্ঠ! ৰামচন্দ্ৰ যদি আমাতকৈ অধিক বলৱান, তেতিয়া তেওঁৰ সৈতে সন্মানজনক চৰ্তত সন্ধি কৰাত কোনো

সামান্য নৰ, তাৰ পিতৃয়েও তাক পৰিত্যাগ কৰিলে। সি এটা ছনে-বনে অনাই-বনাই ফুৰা ধোদৰ পচলা—যিটোৱে তাৰ বিবাহিতা ধৰ্মপত্নীকো ৰক্ষা কৰিবলৈ অক্ষম। মই কেৱল ৰাক্ষসকুলতিলকেই নহওঁ, দেৱতা-গন্ধৰ্ব-নৰ মোৰ ডৰতে প্ৰকম্পিত। ৰামৰদৰে এটা ছাৰ মানৱৰ মোৰ আগত কি দাম? বাঘৰ আগত ছাগ এটা কিমানপৰ তিষ্ঠিব? আৰু—আৰু যদি এই সামান্য ৰাম মোতকৈ শ্ৰেষ্ঠ হয়েই—তাৰ হাতত মৃত্যুকো শ্ৰেয়: বুলি মানিম, তথাপি তাৰ আগত মস্তক অৱনত নকৰিম—কদাপি তেনেকুৱা জঘন্য কাৰ্য্য মই ৰাৱণে নকৰিম।"

অপমানৰ প্ৰশ্ন নাই। ৰামচন্দ্ৰ আৰু আমাৰ মাজত শত্ৰুতাৰ হেতু হ'ল সীতা। সীতাক ওভোতাই দিলেই দেখোন আমি অতি সহজতে এই বিপদ অতিক্ৰম কৰিব পাৰোঁ।"

মাল্যৱন্তই ৰাৱণক এই কথাটোও সোঁৱৰাই দিলে যে—বানৰ তথা ভল্লুকৰ হাততো ৰাৱণ নিৰাপদ হৈ থকাৰ বৰপ্ৰাপ্ত নহয়।

কিন্তু তথাপি ৰাৱণ তিলমানো নদমিল। তেওঁ মাল্যৱন্তলৈ তীক্ষ্ণ দৃষ্টিৰে চাই ক'লে, "হিতবচনৰ নামত তুমিনো কপট-বচন মাতিছা কিয়? ৰাম এটা

মাল্যৱন্তই ৰাৱণৰজাৰ উগ্ৰ ক্ৰোধৰ উমান লৈ মনে মনে থাকিল। তেওঁ ৰাৱণৰ মনোবাঞ্ছা পূৰ হোৱালৈ আশীৰ্বাদ কৰি তাৰপৰা গুলাই গ'ল।

মাল্যৱন্ত গুচি যোৱাৰ পাছত ৰাৱণে যুদ্ধ-কৌশল তথা লংকানগৰীৰ সুৰক্ষাৰ বাবে নিৰ্দেশ দি থাকিল।

ৰাৱণে ক'লে যে—লংকানগৰীৰ পশ্চিমদ্বাৰত ইন্দ্ৰজিতক, উত্তৰদ্বাৰত শুক-সাৰণক, মধ্যস্থলত বিৰূপাক্ষক ৰাক্ষস-সৈন্যৰে মোতায়েন কৰা হ'ব। এই নিৰ্দেশ প্ৰদান কৰি 'মহাৰাজৰ জয় হওক' ধ্বনিৰ

মাজেদি ৰাৱণৰজা অন্তেৰপুৰলৈ গল'গৈ।

*

বানৰ-প্ৰমুখ সকলৰ লগ লাগি শ্ৰীৰামচন্দ্ৰ লংকানগৰীলৈ আহি পালেহি। শ্ৰীৰামচন্দ্ৰই নিজক কোৱাদি কৈ থাকিল :

"এয়ে হ'ল লংকা নগৰী! এই লংকা-নগৰী অধিকাৰ কৰাটো আনকি দেৱতা সকলৰ পক্ষেও টান। গতিকে—আমি কি কৰা উচিত হ'ব?"

তেতিয়া বিভীষণে ৰামচন্দ্ৰক ক'লে, "মোৰ মন্ত্ৰীয়ে পক্ষীৰূপ ধাৰণ কৰি লংকাৰ সকলোতে গৈ ৰাৱণৰজাৰ প্ৰস্তুতি চাই আহিব। লংকা নগৰাৰ পূৰ্বদ্বাৰত সসৈন্য প্ৰহস্ত। মহোদৰ, মহাপাৰ্শ্ব দক্ষিণ দ্বাৰত পৰ দি বৈ আছে, পশ্চিম দ্বাৰ ৰক্ষা কৰি আছে ৰাৱণপুত্ৰ ইন্দ্ৰজিতে, আৰু নগৰৰ কেন্দ্ৰস্থল ৰক্ষাত ৰাক্ষসবীৰ বিৰূপাক্ষক নিযুক্ত কৰা হৈছে।"

বিভীষণৰ মন্ত্ৰীয়েও পক্ষীৰূপ ধাৰণ কৰি, ৰাৱণৰ যুদ্ধ সজা চাই আহি ৰামচন্দ্ৰক সকলো কথা বুজাই ক'লে।

বিভীষণে ৰামচন্দ্ৰক অধিকন্তু এই কথাও ক'লে যে—ৰাৱণৰ যাঠি লাখ পৰাক্ৰমী ৰাক্ষস-সৈন্য অতি ভয়ংকৰ, তাৰ বাহিৰে আৰু অসংখ্য সাধাৰণ কিন্তু নৰখাদক ৰাক্ষস সৈন্যও আছে।

ৰামচন্দ্ৰই অতঃপৰ নিৰ্দেশ দিলে—কোনে কাৰ বিৰুদ্ধে যুঁজিব, কোন কাৰ সন্মুখৰতী হ'ব :

"নল—পূৰ্বদ্বাৰত প্ৰহস্তৰ বিৰুদ্ধে, অংগদ—দক্ষিণদ্বাৰত মহাপাৰ্শ্ব আৰু মহোদৰৰ বিৰুদ্ধে যুদ্ধ কৰিব। পশ্চিম দ্বাৰত ইন্দ্ৰজিতৰ বিৰুদ্ধে আমাৰ হনুমান আৰু উত্তৰ দ্বাৰত স্বয়ং ৰাৱণৰ বিৰুদ্ধে মই। মোৰ সৈতে লক্ষ্মণো তাত থাকিব। সুগ্ৰীৱ, জাম্বৱন্ত আৰু বিভীষণ লংকাৰ কেন্দ্ৰস্থললৈ যাব। যুদ্ধ কালত বানৰ-সৈন্যই কোনো অৱস্থাতে মানৱৰূপ ধাৰণ নকৰিব, কিয়নো—তেতিয়া কোন শত্ৰু



পৰিদৃষ্ট হ'ল। কেৱল নগৰখনেই নহয়, লংকা-নগৰীত যুদ্ধ-সাজেৰে সজ্জিত হৈ হৈ থকা অসংখ্য ৰাক্ষসকো তেওঁলোকে দেখা পালে। বানৰসকলে সিংহনাদ কৰি উঠিল আৰু সিহঁতে জঁপিয়াজঁপি কৰিবলৈ ধৰিলে।

তিমানতে বেলি মাৰ গ'ল। ৰাতি-ছোৱা তেওঁলোকে সুবেল পৰ্বততে যাপিলে। আৰু—ৰাতি পুউৱাৰ লগে লগেই বন-উপবন-সজ্জিত অপৰূপ ৰূপময় লংকা-নগৰী পৰিদৃষ্ট হ'ল।

সমগ্ৰ লংকা নগৰীত ৰাৱণৰজাৰ প্ৰাসাদ আছিল সৰাতোকৈ সুউচ্চ অট্টালিকা। সেই বিশাল অট্টালিকাৰ চতুষ্পাৰ্শ্বত সুউচ্চ প্ৰাচীৰ আৰু পৰিখা দৃষ্ট হ'ল।

এনেতে—বানৰ-ৰাজ সুগ্ৰীৱে ৰাৱণ মহাৰাজক দেখা পালে।

সুগ্ৰীৱে ৰাৱণ মহাৰাজক ক'লে, "হে ৰাৱণ! মই শ্ৰীৰামচন্দ্ৰৰ মিত্ৰ আৰু সেৱক। শ্ৰীৰামচন্দ্ৰৰ যি অনিষ্ট তুমি কৰিছা, সেই অনিষ্টৰ কথা আমি সুপৰিজ্ঞাত। গতিকে তোমাক মই এশিকা দিম -- জীয়াই জীয়াই ছাল কাঢ়িম বুলি ভাবিছোঁ।"

প্ৰবল প্ৰতাপান্বিত ৰাৱণ মহাৰাজে সুগ্ৰীৱক ক'লে, "তোমাক মই চিনি

কোন মিত্ৰ—সেই কথা ঠাৱৰ কৰাটো সহজ হ'ব। মই, লক্ষণ, হনুমান, সুগ্ৰীৱ, নীল, অংগদ আৰু বিভীষণেও মানৱ ৰূপ ধাৰণ কৰি যুদ্ধ কৰি থাকিম।"

এনেকৈ সুস্পষ্টৰূপে নিৰ্দেশ প্ৰদানৰ অন্তত শ্ৰীৰামচন্দ্ৰই লক্ষণক লগত লৈ অতি মনোৰম তথা অত্যন্ত মনোহৰ সুবেল পৰ্বতোপৰি উঠিল। তেওঁলোকৰ লগত বিভীষণ প্ৰমুখো আছিল। ৰাতিছোৱা সুবেল পৰ্বততে খপিবলৈ তেওঁলোকে যো-জা কৰি থাকিল।

সুবেল পৰ্বতোপৰি দণ্ডায়মান হৈ ত্ৰিকুট পৰ্বতত থকা লংকা-নগৰী উত্তমৰূপে



পাইছোঁ। তুমি হ'লা ভৰিৰ তলুৱাৰ তলৰ প্ৰাণী বান্দৰমখাৰ চৰ্দাৰ — তোমাৰ নাম হ'ল সুগ্ৰীৱ। সুগ্ৰীৱৰ অৰ্থ হ'ল ভাল গ্ৰীৱা অৰ্থাৎ মূৰৰ আৰু ডিঙিৰ মাজৰ ছোৱা—গল। এতিয়া মই তোমাৰ গলটো যদি নোহোৱা কৰোঁ—বেয়া পাবানে?" এই কথা কোৱামাত্ৰেই ৰাৱণ সুগ্ৰীৱৰ ওপৰলৈ জঁপিয়াই পৰিল।

*

অতি ভয়ংকৰ ৰণ দুয়োৰো মাজত লাগি পৰিল। বহু সময়লৈকে দুয়ো সমানভাবে যুদ্ধ চলাই থাকিল। তাৰ পাছত—বহু সময়ৰ অন্তত—ৰাৱণ মহাৰাজ অতিপাত ক্লান্ত হৈ পৰিল। তেতিয়া, প্ৰত্যক্ষ আৰু সন্মুখ-সমৰৰ ৰীতি এৰি ৰাৱণে যুদ্ধৰ নীতিৰ বিৰুদ্ধ অন্যায় ইন্দ্ৰজালৰ আশ্ৰয় ল'লে। ৰাৱণ মহাৰাজ চকুৰ পচাৰতে আকাশ-পথ পালেগৈ। চকুৰ পচাৰ নৌ পৰোঁতেই সুগ্ৰীৱো তালৈ অৰ্থাৎ আকাশলৈ উঠিলগৈ। ৰাৱণ অতিপাত ভীত হৈ পৰিল। কিন্তু সৌভাগ্য-ক্ৰমে সুগ্ৰীৱে ক্লান্ত ৰাৱণক আৰু নেখেদি ৰামচন্দ্ৰৰ কাষ পালেগৈ।

ৰামচন্দ্ৰই এনেকৈ নোকোৱা-নেমেলাকৈ ৰাৱণৰ সৈতে ৰণ দিয়াত সুগ্ৰীৱক তিৰস্কাৰ কৰিলে। ৰামচন্দ্ৰই ক'লে, "এনেকৈ অঘোষিত যুদ্ধ কৰি থাকিলে আমি কেনেকৈ জানিম? বিপদ সমুপস্থিত হ'লে কেনেকৈনো ৰক্ষা কৰিম?"

তাৰ পাছত সকলোটি সুবেল পৰ্বতৰপৰা নামি আহিল, আৰু দামামা বজাই যুদ্ধ ঘোষণা কৰি সসৈন্য শ্ৰীৰামচন্দ্ৰ লংকা-নগৰীলৈ বুলি আগ বাঢ়িল। শ্ৰীৰামচন্দ্ৰৰ পিছে পিছে গৈ থাকিল বিভীষণ সুগ্ৰীৱ হনুমান জাম্বৱন্ত নল সুষেণ নীল আৰু লক্ষ্মণ প্ৰমুখ বীৰসকল। আৰু এওঁলোকৰ পিছে পিছে উত্তালি উঠিল মহাসাগৰহেন বানৰসৈন্যৰ ঢল।



নিৰিখ

বহুকালৰ আগৰ কথা। গাঁও এখনত দণ্ডপাণি নামৰ এজন গৃহস্থ আছিল। এওঁৰ পৰিবাৰৰ নাম আছিল ৰূপৰাণী। ৰূপৰাণীৰ চাৰিজন পুতেক। পুতেক চাৰিওজনেই বিয়া কৰাইছিল।

ঘৰুৱা কামত, তথা ঘৰখনৰ চোৰা-চিতাঁৰ কামত ৰূপৰাণী আছিল অতি দায়িত্বৱান। ঃহঠাৎ এদিন ৰূপৰাণীয়ে ভাবিলে ঃ মই ঢুকুৱাৰ পাছত ঘৰখনৰ দায়িত্ব কোনে ল'ব ? কাৰ ওপৰত দায়িত্ব দিয়া যাব ? কথাটো ৰূপৰাণীয়ে গিৰিয়েক দণ্ডপাণিকো কোৱাত দণ্ডপাণিয়ে চাৰিও বোৱাৰীৰ মাজত কোনজনী কিমান নির্ভৰ-যোগ্য তাৰ পৰীক্ষা ল'বলৈ মনস্থ কৰি প্ৰতিজনী বোৱাৰীৰ হাতত পাঁচটকৈ ধান দিলে আৰু ক'লে যে তেওঁ যেতিয়া ধানকেইট। ওভোতাই খুজিব তেতিয়া ওভোতাই দিব লাগিব।

ডাঙৰ বোৱাৰী মল্লিকাই ভাবিলে ঃ এই পাঁচগুটি ধান সাঁচি থ'ব লাগিব কিয় ? খুজিলে যেতিয়াই-তেতিয়া ধান-ভঁৰালৰপৰা আনি দিলেই হৈ যাব।—এই বুলি ভাবি তাই লগে লগেই ধানকেইটা দলিয়াই পেলাই দিলে।

দ্বিতীয়জনী বোৱাৰী ভোগৱতীয়েও একেধৰণেই ভাবিলে, কিন্তু ধান পাঁচটা দলিয়াই নেপেলাই, ধানৰপৰা চাউল উলি-য়াই আনি মুখত ভৰাই চোবাই খালে।

তৃতীয় বোৱাৰীজনীয়ে—মালঞ্চই ধান পাঁচোটো ফটাকানিৰে বান্ধি বাকচৰ ভিতৰত ভৰাই থ'লে।

সৰুজনী বোৱাৰী ৰোহিণীয়ে ভাবিলে ঃ

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

শহুৰদেউতাই এনেকৈ পাঁচটা মাত্ৰ ধান কিয় দিলে? ধান সাঁচি ৰখাৰ কাৰণ হয় দুটা। এক: চাউল কৰি খাবলৈ, দুই: বীজ হিচাপে ব্যৱহাৰ কৰি খেতি কৰিবলৈ। পাঁচগুটি মাত্ৰ ধান নিশ্চয় খোৱাৰ কাৰণেহে নহয়। তাই ধান পাঁচোটা তাইৰ মাকলৈ পঠিয়ালে সিহঁতৰ ধাননিৰ এফালে সিঁচিবলৈ।

পাঁচগুটি ধানৰপৰা পুলি। সেই পুলি এদিন লহপহীয়া হৈ উঠিল। এই পুলিৰপৰা হোৱা ধানখিনি আছুতীয়াকৈ ৰখা হ'ল। তাৰ পাছত ৰোহিণী এবাৰ তাইৰ মাকৰ ঘৰলৈ গ'ল আৰু আহল-বহল মাটি এডৰাত সেইখিনি ধান পুনৰ ৰুলে।

এইদৰে এবছৰ দুবছৰকৈ একেলেথাৰীয়ে পাঁচ বছৰ ধৰি সেই পাঁচগুটি ধানৰপৰা হোৱা ধানেৰে ধানখেতি কৰা হ'ল আৰু সেই ধান ধান-ভঁৰালত আছুতীয়াকৈ থৈ দিয়া হ'ল।

পাঁচ বছৰৰ অন্তত দণ্ডপাণিৰ ঘৈণীয়েক ৰূপৰাণীয়ে এদিন গিৰিয়েকক ক'লে, "মই বুঢ়ী হ'লোঁ, আপুনি যে কৈছিল ঘৰৰ দায়িত্ব ল'ব পৰাজনীক বাছি উলিয়াব—তাৰনো আৰু কিমান দেৰি?"

দণ্ডপাণিয়ে মূৰ দুপিয়ালে আৰু বোৱাৰীহঁতৰপৰা পাঁচটাকৈ ধান খুজিলে।

ডাঙৰজনী আৰু দ্বিতীয়জনী বোৱাৰীয়ে ভঁৰালৰপৰা পাঁচট কৈ ধান আনি দিলে।

ধানকেইটালৈ চাই দণ্ডপাণিয়ে সিহঁত দুজনীক ক'লে, "এইকেইটা পাঁচ বছৰৰ আগতে দিয়া ধান নহয় সেই ধানকেইটা তোমালোক কি কৰিলা কোৱাচোন?"

বাধ্যত পৰি সিহঁত দুজনীয়ে সঁচা কথাকে ক'লে।

তৃতীয়জনীয়ে ফটাকানিৰে বান্ধি থোৱা ধানকেইটা আনি দিলে।

এইবাৰ সৰু বোৱাৰী-ৰোহিণীক শহুৰেকে সুধিলে যে পাঁচ বছৰৰ আগতে দিয়া ধান পাঁচগুটি তাই কি কৰিলে।

ৰোহিণীয়ে ক'লে, "সেই ধানকেইটা মই মোৰ মাৰ ওচৰলৈ পঠাই দিছিলোঁ। সেইখিনি লৈ অহাত দুটা দিন লাগিব।"

দুটা দিনৰ পাছত, ৰোহিণীৰপৰা খবৰ পাই, ৰোহিণীৰ মাকে পঞ্চাছখন গৰুৰ গাড়ী বোজাই কৰি বস্তাই বস্তাই ধান পঠিয়াই দিলে দণ্ডপাণিৰ ঘৰলৈ।

ইমান ধানৰ বস্তা পাই দণ্ডপাণি আৰু ঘৰখনৰ অন্যান্যয়ো তৰধ মানিলে। আৰু—ৰোহিণীয়ে যেতিয়া ক'লে সেই পাঁচটি ধানৰপৰা ইমান ধান হ'ল—তেতিয়া সকলো হতবাক হৈ পৰিল।

কিছু সময়ৰ অন্তত দণ্ডপাণিয়ে পৰিবাৰ ৰূপৰাণীক ক'লে, "দেখিলাই নহয়—? ঘৰখনৰ দায়িত্ব কাক দিব পাৰি—বুজিছাই। কোন বস্তু কেনেকৈ সুৰক্ষিত ৰাখিব লাগে সেই কথা সৰু কেৱল আমাৰ বোৱাৰীয়েহে জানে।"

"আৰু—আন তিনিজনীক কি ক'ব? সিহঁতকো তো কিছু কিছু কামৰ দায়িত্ব দিব লাগিব " ৰূপৰাণীয়ে সংসাৰৰ নানান কথা ভাবি-চিন্তি ক'লে।

কেইক্ষন্তেকমান ভাবি লৈ দণ্ডপাণিয়ে ক'লে, "মল্লিকো আই হ'ল পেলনিয়াৰ, সকলো বস্তু দলিয়াই পেলায়। গতিকে—তাইক ঘৰৰ জাবৰ-জোথৰ পেলাবৰ দায়িত্ব দিব লাগিব। ভোগৱতী হওক মল্লিকাৰ সহকাৰিণী। মালঞ্চই সকলো বস্তু গত লগাই ৰাখিব পাৰে। গতিকে—তাইক আমাৰ দোকানখনৰ চোৱা-মেলাৰ তথা বয়-বস্তু ঠিকঠাককৈ ৰখাৰ দায়িত্ব দিয়া হওক। আৰু ৰোহিণীআইক দিয়া হওক পূৰা ঘৰখনৰ দায়িত্ব।"

গিৰিয়েকৰ এই ব্যৱস্থা-বন্দৱস্তত ৰূপৰাণীয়ে ভালেই পালে। কিছুদিনৰ পাছত ৰূপৰাণীয়ে তেওঁৰ বোৱাৰীহঁতক গিৰিয়েকে কোৱামতে দায়িত্ব দি—নিজে ঈশ্বৰৰ আৰাধনাত মনোনিৱেশ কৰিলে।

বন্ধু যেৰে বন্ধুৰা

ৰণপুৰৰ জমিদাৰ ৰঘুবীৰ ডাঙৰীয়াৰ ভালেমান বন্ধু-বান্ধৱ আছিল। কিন্তু সেই বন্ধু-বান্ধৱৰ কথাৰ অত্যাচাৰতে জমিদাৰ ৰঘুবীৰ ডাঙৰীয়াই জলা-কলা দেখিছিল।

এদিন ৰঘুবীৰ ডাঙৰীয়াই তেওঁৰ দেৱানক বন্ধু-বান্ধৱৰ কথাৰ অত্যাচাৰৰ সমস্যাৰ কথা কোৱাত দেৱানে ক'লে যে এই·বিষয়ে তেওঁ বিশেষ চিন্তা নকৰিলেও হ'ব, এই সমস্যাৰ সমাধান তেওঁ কৰি দিব।

পাছদিনা, জমিদাৰ ৰঘুবীৰ ডাঙৰীয়াই যেতিয়া তেওঁৰ বন্ধু-বান্ধৱ পৰিবৃত্ত হৈ বহি আছিল, তেতিয়া ধুতী-চোলা পিন্ধা, অচিনাকি আগন্তুক এজন তালৈ আহিল। জমিদাৰ ডাঙৰীয়াই এই আগন্তুকক দেখা পায়েই নিজেই আগুৱাই গৈ মানুহজনক আগ বঢ়াই আনিলে আৰু আথেবেথে বহুৱালে। আগন্তুক মানুহজনে অতি চমুকৈ দুই-চাৰি কথা কৈয়েই বহাৰপৰা উঠি থিয় দিলে আৰু ক'লে, "আপোনাৰ মূল্যৱান সময় মই অবাবতে নষ্ট কৰিবলৈ নিবিচাৰোঁ। মোৰ কাম হৈ গ'ল, মোক যাবলৈ আজ্ঞা দিয়ক।"

অতি আচৰিত কথা — জমিদাৰ ডাঙৰীয়াই আগন্তুকক এইবাৰো তেওঁৰ আসন এৰি উঠিল আৰু আগবঢ়াই দিবলৈ মানুহজনৰ লগে লগে গৈ থাকিল।

বন্ধু-বান্ধৱহঁত সেই আগন্তুকৰ প্ৰতি ঈৰ্ষান্বিত হৈ উঠিল, আৰু পৰস্পৰে পৰস্পৰক কৈ থাকিল, "এই মানুহজন— কোননো? জমিদাৰে মানুহজনক আগ-বঢ়াই আনিলে, আকৌ বিদায়ৰ বেলিকাও আসন এৰি উঠি গৈ আগ বঢ়াই থৈ

শশীসুন্দৰ শেনচোৱা

আহিল—তেওঁ কিন্তু আজিলৈকে আন কোনো-কাহানিও এনেকুৱা কাম কৰা আমি দেখা নাছিলোঁ।”

তেতিয়া দেৱান তাতেই আছিল। তেওঁ ক'লে, “জমিদাৰ ডাঙৰীয়াৰ আচৰণত ময়ো অবাকেই মানিছোঁ। এই আগন্তুক মানুহজন—অমৰেন্দ্ৰনে কি মই ক'ব নোৱাৰোঁ। অমৰেন্দ্ৰ বোলা জমিদাৰ ডাঙৰীয়াৰ বন্ধু এজন চহৰত থকাৰ কথা শুনিছিলোঁ কেতিয়াবা। অমৰেন্দ্ৰৰ ভাল স্বভাৱ তথা আচৰণৰ বিষয়ে তেওঁ মোক বহুবাৰ কৈছিল।”

এই কথা শুনি জমিদাৰ ডাঙৰীয়াৰ বন্ধুইতে সুধিলে, “অমৰেন্দ্ৰ? এই নাম আমি কোনো-কাহানিও নাই শুনা। আচ্ছা—এই অমৰেন্দ্ৰ বোলাজনৰ কথা জমিদাৰ ডাঙৰীয়াই কি বুলি কয়?

দেৱান ডাঙৰীয়াই ক'লে, “কয় যে—‘কোনে কত কি ক'ব লাগে নক'ব লাগে আৰু কিমান সময় থাকিব লাগে কেতিয়া বিদায় লৈ গুচি যাব লাগে—এইবোৰ কথা অমৰেন্দ্ৰৰপৰা আমি শিকিবলগীয়া কথা। অমৰেন্দ্ৰৰ এই আগম-পুৰাম বোধ—অৰ্থাৎ বিবেচনাবোধ সুন্দৰকৈ থকাৰ কাৰণেই তেওঁ বন্ধু-বান্ধৱসকলৰ মাজত অমৰেন্দ্ৰকে আটাইতকৈ ভাল পায়’।”

দেৱানৰ কথা শুনি জমিদাৰ ডাঙৰীয়াৰ বন্ধু-বান্ধৱসকলে চিন্তাৰ চাকনৈয়াত



পৰিল। কিয় যে জমিদাৰে আগন্তুক মানুহজনক ইমান খাতিৰ-বাতিৰ কৰিলে, সেই কথা ভাবি ভাবি সকলোটি একেলগে গুচি যাবলৈ ধৰিলে।

জমিদাৰ ডাঙৰীয়াই আচৰিত হৈ হাঁহি হাঁহি সুধিলে, "কি কথা? সকলোটিয়ে—একেলগে ক'লৈনো যাবলৈ ওলাইছা?"

সকলোটিয়েই মুহূর্তমানৰ বাবে নিকত্তৰে থাকিল। তাৰ পাছত এজন বন্ধুৱে বুদ্ধিমত্তাৰে ক'লে, "কথা— একোৱেই নহয়। আমাৰ বৰ্মাদেউ ৰাজধানীলৈ যাব, আমি এতিয়া তেওঁক লগ ধৰিমগৈ, তেওঁৰ লগত কিছু সময় কথা-টথা পাতিমগৈ—কথ ইমানেই, আজি এতিয়াই নগ'লে কালিলৈ তেওঁক কিজানি লগেই নাপাম।"

তাৰ পাছত জমিদাৰ ডাঙৰীয়াক যথোচিত ভাবে নমস্কাৰ কৰাৰ অন্তত বন্ধুহঁত গুচি গ'ল। জমিদাৰ ডাঙৰীয়াই হাঁহি হাঁহি তেওঁলোকৰ যোৱালৈ চাই থাকিল আৰু দেৱানে দেখি থাকিল।

জমিদাৰ ডাঙৰীয়াই তেওঁৰ দেৱানক ক'লে, "দেৱান ডাঙৰীয়া, আপোনাৰ বন্ধুগৰাকীয়ে মোক মোৰ বন্ধুহঁতে কথাৰে উকৰাই নিয়াৰপৰা উদ্ধাৰ কৰিলে। এনেবোৰ বন্ধু-বান্ধৱে ডাঙৰ লোকৰ লগত বজৰলেপৰ দৰে লাগি থাকে আৰু অবাবতে অনেক সময় নষ্ট কৰে। এইবিলাকক পোনাবলৈ যথেষ্ট বুদ্ধিৰ আৱশ্যক হয়। আপুনি অতি বুদ্ধিমত্তাৰে—মোক এই চাটুৰাবিলাকৰ কবলৰপৰা উদ্ধাৰ কৰি ৰেহাই দিলে। অমৰেন্দ্ৰৰ ভাও ইমানেই ভাল হৈছিল, বেলেগে একো কোৱাৰ দৰকাৰেই নহৈছিল। মই আপোনাৰ বন্ধুজনক যথোচিত পুৰস্কৃত কৰি তেওঁৰ মান ধৰিম। প্ৰকৃত বন্ধু এজনে কেনে আচৰণ কৰিব লাগিব—তেওঁ শিকাই—থৈ গ'ল। বন্ধুৰাহেন বন্ধুতকৈ বন্ধু নথকাও ভাল।"



তিতায়েই মিঠা

সুপ্ৰাচীনকালত মালয়দেশত জামোৰিন বংশৰ এগৰাকী ৰজা আছিল। তেওঁ ধনেদি মঠ বান্ধিবলৈ আশা কৰি সমগ্ৰ ৰাজ্যত তেঁতেলী গছ ৰুবলৈ, তেঁতেলীৰ বাগান-বাগিচা সাজিবলৈ স্থিৰ কৰিলে।

এই ৰাজ্যতে 'নাম্বিয়াৰ' নামৰ এগৰাকী প্ৰখ্যাত বৈদ্য অৰ্থাৎ চিকিৎসক আছিল। নাম্বিয়াৰ কেৰল মালয়দেশতে নহয়, ভৰতবৰ্ষতো প্ৰখ্যাত বৈদ্য হিচাপে বিবেচিত হৈছিল।

তেতিয়াৰ কালত ভাৰতৰ ৰাজধানী দিল্লীত থকা বাদশ্বাহৰ ব্যক্তিগত চিকিৎসক আছিল এগৰাকী আৰবীয় হেকিম। প্ৰাকৃতিক চিকিৎসক হিচাপে এই হেকিম-গৰাকীও আছিল অতি বিখ্যাত। লোকৰ মতে : এই হেকিম আৰু সেই নাম্বিয়াৰ একেধৰণৰে প্ৰজ্ঞাবান চিকিৎসক।

মালয়দেশৰ ৰজাই যেতিয়া তেওঁৰ ৰাজ্যৰ বাটে-পথে য'তে ত'তে তেঁতেলী গছ ৰুবলৈ আদেশ জাৰী কৰিলে, তেতিয়া নাম্বিয়াৰে ৰজাক ক'লেগৈ, "মহাৰাজ! তেঁতেলী গাছ স্বাস্থ্যৰ কাৰণে ভাল নহয়, আপুনি তেঁতেলীৰ সলনি নিম গছ ৰুবলৈ নিমৰ বাগিচা সাজিবলৈ আদেশ দিয়ক।"

কিন্তু জামোৰিনে নাম্বিয়াৰৰ এই পৰামৰ্শ মানি নল'লে। জামোৰিনে ক'লে, "তেঁতেলী গাছ অতি লাভদায়ী। তেঁতেলীক এবাৰ ৰুই দিলেই হ'ল, এই বৃক্ষৰ বিনাশ নাই। নিমেৰে কোনো লাভ নহ'ব।"

ৰজাৰ কথা 'ভুল' বুলি নাম্বিয়াৰৰ কোৰাৰ দাঁত নহ'ল। নাম্বিয়াৰ সেই দেশৰ

'মালয় দেশৰ লোক-কথা'



মহামন্ত্ৰীৰ গৃহলৈ গ'ল। মহামন্ত্ৰীয়ে নাম্বিয়াৰক যথেষ্ট আদৰ-সাদৰ কৰি বহিবলৈ দিলে, কুশল প্ৰশ্ন কৰিলে। কিন্তু নাম্বিয়াৰে মহামন্ত্ৰীৰ মুখ-চকুৰ পিনে একেধিৰে চাই থকা দেখি মহামন্ত্ৰীয়ে সুধিলে, "কিনো চাই আছে? আপোনাৰ কৃপাত মোৰ শৰীৰ-স্বাস্থ্য ভালেই আছে।"

নাম্বিয়াৰে গম্ভীৰ কণ্ঠেৰে ক'লে, "তেনেহ'লে তো কথাই নাই। কিন্তু অহা ছমাহৰ ভিতৰত মই আপোনাৰ টান অসুস্থতাৰ লক্ষণ দেখা পাইছোঁ। এতিয়াৰে-পৰাই চিকিৎসা চলাই থাকিলে ভাল।"

মহামন্ত্ৰীয়ে দমি গৈ ক'লে, "তো— এতিয়াৰেপৰাই চিকিৎসা আৰম্ভ কৰি দিলেই হ'ল—।"

"এই অসুখৰ চিকিৎসা মই কৰিব নোৱাৰিম। আপুনি আজি-কালিতেই দিল্লীলৈ যাত্ৰা কৰক, আৰু বাদশ্বাহৰ হেকিম হমদৰ্দী ৰেহমান আবুবকৰ খান ছাহাবক দেখুৱাওকগৈ।" নাম্বিয়াৰে ক'লে।

"তেওঁ হ'ল বাদশ্বাহৰ ব্যক্তিগত চিকিৎসক, তেওঁ মোক চাব বুলি কওঁনো কেনেকৈ?" মহামন্ত্ৰীয়ে ক'লে।

"হেকিমে — বা যিকোনো প্ৰকৃত চিকিৎসকেই অসুস্থ ৰোগীক চাব। অসুখৰ তো বাদশ্বাহ-দুখীয়া নাই।"

নাম্বিয়াৰে যিস্থলত বেমাৰৰ কথা ক'লে, কোনেও আৰু প্ৰশ্ন উত্থাপন কৰিবলগীয়া নাই। এতেকে—মহামন্ত্ৰীয়ে এবছৰৰ বাবে ৰাজকাৰ্য্যৰপৰা অৱসৰ লৈ নিৰ্দ্বিধাই দিল্লীলৈ বুলি ৰাওনা হোৱাৰ বাবে যো-জা কৰিলে।

মহামন্ত্ৰী যেতিয়া দিল্লীলৈ যাবলৈ সাজু হ'ল, তেতিয়া নাম্বিয়াৰে তেওঁক ক'লে, "আপুনি বাটত যেতিয়া বিশ্ৰাম ল'ব—তেঁতেলীৰ তলতে ল'ব, তেঁতেলীৰ ঠাৰিৰে দাঁত ঘঁহিব, আৰু তেঁতেলীৰ খৰিৰে খানা পগাব।"

নাম্বিয়াৰৰ পৰামৰ্শ অনুসাৰে মহামন্ত্ৰী

সপৰিয়ালে দিল্লীলৈ বুলি ৰাওনা হ'ল আৰু নাপ্বিয়াৰৰ কথামতেই তেঁতেলীৰ তলতে জিৰণি ল'লে, তেঁতেলীৰ তলতে ৰাতি যাপিলে, তেঁতেলীৰ কোমল পাত আৰু ফুল খালে।

এইদৰে গৈ গৈ যেতিয়া দিল্লী পালেগৈ —তেতিয়া মহামন্ত্ৰী যথেষ্ট নিশকতীয়া হৈ পৰিল।

মহামন্ত্ৰীয়ে ভাবিলে : অঃ! নাম্বিয়াৰ যে কিমান ডাঙৰ চিকিৎসক! ইমান দিনৰ আগতে মোৰ দুৰ্বল স্বাস্থ্যৰ কথা কেনেকৈ যে বুজি পাইছিল তেওঁ!

দিল্লীত বাদশ্বাহৰ হেকিমৰ দৰ্শন অতি সহজেই পোৱা হ'ল মহামন্ত্ৰীয়ে।

মহামন্ত্ৰীৰ কথা শুনি হেকিমে এই কথাটো বুজিবলৈ একেবাৰে টান নাপালে যে তেঁতেলীৰ বিপদৰ বিষয়ে মহামন্ত্ৰীক অৱহিত কৰাবলৈ—বুজাবলৈহে নাম্বিয়াৰে মহামন্ত্ৰীক ইমান দূৰ দিল্লীলৈ পঠালে।

বাদশ্বাহৰ হেকিমে মহামন্ত্ৰীক ক'লে, "আপোনাৰ বেমাৰ টানেই, কিন্তু এই বেমাৰৰ চিকিৎসা অতি উজু।"

"তেনেহ'লে অনুগ্ৰহ কৰি আৰোগ্যলাভৰ উপায় কৈ দিয়ক—মহান হেকিম ছাহাব!" মহামন্ত্ৰীয়ে বাদশ্বাহৰ হেকিমক ক'লে।

"আপুনি এতিয়াই আপোনাৰ দেশলৈ উভতি যাওক। উভতি যাওঁতে, বাটত কেৱল নিমগছৰ তলত বিশ্ৰাম, নিমৰ

কোমল পাত আহাৰ, নিমৰ খৰিৰে বন্ধন আৰু নিমৰ তলতে ৰাত্রি যাপন কৰিব। দাঁতনো নিমৰ ঠাৰিৰেই কৰিব। আপোনাৰ যি বেমাৰ হৈছে — তাৰ আৰোগ্যৰ বাবে অন্য চিকিৎসা আৰু নাই। নাম্বিয়াৰ ডাঙৰীয়ালৈ মোৰ হেজাৰ হেজাৰ আদাব-ছালাম জনাব। আপুনি এতিয়া গৈ থাকক।" শ্বাহী হেকিম আবুবকৰ খানে মহামন্ত্ৰীক ক'লে।

এই পৰামৰ্শ—চিকিৎসাৰ বাবে এই নিৰ্দেশ—আন কোনো চিকিৎসকে দিয়া-হেঁতেন মহামন্ত্ৰীয়ে হয়তো বিশ্বাসেই নকৰিলেহেঁতেন। যি কি নহওক—তেওঁ হেকিমে কোৱামতেই নিম গছৰ তলত জিৰণি লৈ, নিমৰ কোমল পাত খাই, নিমৰ তলত ৰাতি কটাই উভতি গৈ থাকোঁতে পূৰ্ণ স্বাস্থ্য ঘূৰাই পালে। বৰঞ্চ —তেওঁ আগতকৈয়ো অধিক স্বাস্থ্যৱান হৈ উঠা যেন পালে।

মহামন্ত্ৰীয়ে তেওঁৰ সেই কঠিন বেমাৰৰ-পৰা কেনেকৈ উদ্ধাৰ লভিলে — সেই অভিজ্ঞতাৰ কথা জামোৰিনক কোৱাত জামোৰিনে নাম্বিয়াৰক মতাই আনিলে।

জামোৰিনৰ প্ৰশ্নৰ উত্তৰত, নাম্বিয়াৰে ক'লে, "মহাৰাজ। প্ৰকৃততে মহামন্ত্ৰী একেবাৰেই অসুস্থ হোৱা নাছিল। কিন্তু তেঁতেলীৰ প্ৰভাৱত যে মানুহ অসুস্থ হয়, আৰু নিমৰ প্ৰভাৱত যে মানুহ অসুখৰপৰা আৰোগ্যলাভ কৰে—সেই কথাটি স্পষ্টৰূপে উপলব্ধি কৰাবলৈহে মই জানি-বুজিয়েই মন্ত্ৰীমহোদয়ক এই কষ্ট দিছিলোঁ। যদি অন্যায় হৈছিল—তাৰ বাবে মই যিকোনো দণ্ড মূৰ পাতি ল'ম।"

জামোৰিনে নিজৰ ভুল স্বীকাৰ কৰি নাম্বিয়াৰক যথোচিত ভাবে পুৰস্কৃত কৰিলে, আৰু সমগ্ৰ ৰাজ্যত তেঁতেলীৰ সলনি নিমৰ পুলি ৰুবলৈ কটকটীয়াকৈ আদেশ জাৰী কৰিলে।



সমৰূপী !

ফেটাগোম নামৰ কালসৰ্প পূৰ্বজন্মত বা বহু বহু জন্মৰ আগতে মানুহ আছিলনে ? তিনি-চাৰি মাহমানৰ আগতে কুম্ভকোনমৰ ওচৰত বলংগাইমন নামৰ ঠাইত ছফুট দীঘল এক কাল-সৰ্প তথা ফেটাগোম ধৰা হৈছিল আৰু এই দৃশ্য চাই মানুহে অবাক মানিছিল যে তাৰ ফেঁটত মানুহৰ ৰূপ বিদ্যমান ! বিশেষকৈ চকু, নাক আৰু মুখৰ চিনত মানৱৰ সমৰূপ এই ক'লাসাপৰ ফণাত আঁকা দেখা গৈছিল !

খাৰ্‌টা

পিগ্‌মি—অৰ্থাৎ কঁটীয়া হিপ'পটেমাছ বা জলহস্তীও আছে। এই কঁটীয়া বা বাওনা জলহস্তী আফ্ৰিকাৰ নাইজিৰিয়াত পৰিলক্ষিত হয়। ইহঁতে মুঠেই ৭৫ ছেন্টিমিটাৰ ওখ। সাধাৰণ স্বাভাৱিক হিপ'পটেমাছ জালাহত থাকে। ৰাতিৰ পৰতে সেউজীয়া চৰণীয়া পথাৰত থাকিয়েই ভাল পায়, যদিও ৰাতিৰ পৰতে পানীলৈ যায়। কিন্তু বাওনা হিপ'পটেমাছৰ প্ৰকৃতি ইয়াৰ বিপৰীত। এইবোৰ হিপ'পটেমাছে ঘাঁহ, গছ-পুলি আৰু ফল ইত্যাদি খাই জীয়াই থাকে। হিপ'পটেমাছ হ'ল গ্ৰিক শব্দ। আমি জলহস্তী বুলি কওঁ।

বাস্টাৰ্ড !

এই সম্বাদে পক্ষীপ্ৰেমীসকলক সুখী কৰিব যে—এসময়ত লুপ্তপ্ৰায় হৈ পৰা বিশিষ্ট ভাৰতীয় পক্ষী 'বাস্টাৰ্ড' সম্প্ৰতে অন্ধ্ৰপ্ৰদেশৰ কুৰ্ণুল জিলাৰ অৰণ্যাঞ্চলত পৰিদৃষ্ট হৈছে। বহুমূল্য তথা দুৰ্লভ চৰাইবোৰক আগতে ৰাজস্থান, গুজৰাট, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো দেখা গৈছিল। যেতিয়াৰপৰা সংৰক্ষণ কাৰ্য্যক্ৰম হাতত লোৱা হ'ল তেতিয়া মোটামুটিভাবে ৪০টা বাস্টাৰ্ডক ৰয়ালসীমান্বিত চৰাই-অভয়াৰণ্যলৈ স্থানান্তৰিত কৰা হৈছিল। এতিয়া এই অৰণ্যয়েই হ'ল বাস্টাৰ্ড-চৰাইৰ নিৰাপদ আবাস। বাস্টাৰ্ড এক মিটাৰলৈকে ওখ হয়, আৰু বিভিন্ন কীট-পতংগ খাই জীয়াই থাকে।





Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine
Tonight y
Tomorro

little one a cuddles?
I can't chas
no mice
But I'm
soft 'n' nice
Give the
Li'l Panda
a Handa
No carrots to eat
But I'm a treat
u bug me tight
w I'll give you
a ride
The
CHANDAMAMA
Collection of Soft Toys
CHANDAMAMA TOYTRONIX

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ 100 টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ জুলাই সংখ্যাত প্ৰকাশিত হ'ব ।

Pramod Bhanushali

I. Umarani

ফটো-নামকৰণ দুই-তিনটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে

* মিল থাকিব লাগিব। ১৯৯২ চনৰ মে' মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ 100 টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : **CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)**

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯২ চনৰ মাৰ্চ মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : কিমান মহান মহাকাশ ? দ্বিতীয় ফটো : মাটিৰ বুকুতে ইমান আশ !

তাপস দত্ত, বি. এন পি. হাইস্কুলৰ ছেকেণ্ডাৰি স্কুল, ডিব্ৰুগড়—১

ভাৰতত বছৰেকীয়া বৰঙণি **চান্দমামা** ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600-026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

Gautam Goswami (7.5.92)